মিখাইল ছ'ল'খভ

মানুষের ভাগ্য

মিখাইল শ'ল'খভ

মানুষের ভাগ্য

উপন্যাসিকা

'রাদুগা' প্রকাশন
মস্কো

অনুবাদ: কমল গগৈ
সম্পাদনা: হেম শৰ্মা

Михаил Шолохов

СУДЬБА ЧЕЛОВЕКА

Рассказ

На языке ассами

Mikhail Sholokhov

THE FATE OF A MAN

A Short Story

In Assamese

© অসমীয়া অনুবাদ · 'ৰাদুগা' প্ৰকাশন · মস্কো · ১৯৯০

ছোভিয়েত ইউনিয়নত মুদ্ৰিত

Ш $\frac{4702010201\text{-}534}{031(01)\text{-}90}$ 088-90

ISBN 5-05-002885-X

ছোভিয়েত ইউনিয়নৰ কমিউনিস্ট পাৰ্টিৰ সদস্যা ইয়েভ্‌গেনিয়া লেভিত্‌স্কায়াৰ প্ৰতি উৎসৰ্গিত

মহাযুদ্ধৰ পাছৰ প্ৰথমটো বছৰত দন নদীৰ উজনিভাগত সেয়া প্ৰথম বসন্তকাল; এক বিৰল উদ্যম-উন্মাদনা আৰু চঞ্চলতা। মাৰ্চৰ শেষত আজভ সাগৰৰ উপকূলৰপৰা গৰম বতাহ বলিছিল আৰু দুদিনতে নৈখনৰ বাওঁপাৰৰ বালিবোৰ উদং হৈ পৰিছিল, স্তেপ অঞ্চলত বৰফে বাধা দি থকা সৰু-বৰ গিৰিখাতবোৰ ওফন্দি পৰিছিল, বৰফ গলাত সৰু নৈবোৰে উন্মত্তভাৱে দুয়ো পাৰ বুৰাই পেলাইছিল আৰু বাট-পথবোৰ প্ৰায় একেবাৰে দুৰ্গম হৈ পৰিছিল।

বছৰটোৰ এই প্ৰতিকূল সময়ছোৱাতে বুকানোভস্কায়াৰ জিলা সদৰলৈ যাব লগা হ'ল। বাট বৰ বেছি দূৰ নহয় — মাত্ৰ ষাঠি কিলোমিটাৰমান; কিন্তু ইয়েই হৈ পৰিছিল বৰ দুৰ্গম। আমি — মোৰ বন্ধু আৰু মই বেলি ওলোৱাৰ আগতে যাত্ৰা আৰম্ভ কৰিছিলোঁ। হৃষ্ট-পুষ্ট ঘোঁৰাহালে তাঁৰৰ দৰে লেকামৰ টান লগাত গধুৰ গাড়ীখন টানিব নোৱাৰি কথমপিহে গৈছিল। চকাকেইটা বৰফ মিহলি বালিৰ সেমেকা দ'মবোৰত ধুৰালৈকে সোমাই গৈছিল আৰু এঘণ্টাৰ ভিতৰতে ফেঁহু বৰণীয়া বগা বৰফৰ চেকুৰাবোৰ ঘোঁৰা দুইটাৰ তপিনাত আৰু পাছফালৰ ঠেক পটীৰ তলত ওলাই পৰিছিল; আৰু ৰাতিপুৱাৰ নিৰ্মল বতাহত ঘোঁৰাৰ গাৰ ঘাম আৰু ডাঠকৈ আলকতৰা ঘঁহা গৰম যুঁৱলিখনৰ তীব্ৰ উদ্বেলিত গোন্ধ বিয়পি পৰিছিল।

ঘোঁৰাকেইটাই যেতিয়া টানিব নোৱৰা যেন হৈছিল

তেতিয়া আমি গাড়ীৰপৰা নামি খোজ কাঢ়িবলৈ লৈছিলোঁ। গলিবলৈ ধৰা বৰফৰ ওপৰত আমাৰ বুট জোতাই কেৰেচ কেৰেচ শব্দ কৰিছিল আৰু খোজ কাঢ়ি আগ বঢ়াও টান হৈ পৰিছিল। কিন্তু বাটৰ কাষত তেতিয়াও চিক্‌মিকাই থকা বৰফৰ চামনি পৰি আছিল আৰু সেইবোৰ আৰু-বেছি টান ডাঠ হৈছিল। ইয়েলাংকা নৈৰ পাৰ-ঘাটলৈকে ত্ৰিশ কিলোমিটাৰ বাট যাওঁতে আমাৰ প্ৰায় ছঘণ্টা সময় লাগিল।

মোখোভ্‌স্কই গাঁৱত এই সৰু নৈখন জহকালি প্ৰায় শুকাই যায়। কিন্তু এতিয়া এল্‌ডাৰ গছৰে ভৰা জলাহ তৃণভূমিৰ পুৰা এক কিলোমিটাৰ পানীৰে উপচি আছে। আমি তলি ফুটা নাও এখনেৰে নৈখন পাৰ হ'ব লগা হ'ল, তাত বৰ বেছি তিনিজন মানুহহে যাব পাৰে। আমি যোঁৱাকেইটা ঘূৰাই পঠালোঁ। ইটো পাৰে, সমুহীয়া পাম এখনৰ চালিৰ তলত গোটেই জাৰকালিতো পৰি থকা পুৰণি আৰু জৰাজীৰ্ণ জীপ গাড়ী এখন আমাৰ কাৰণে ৰৈ আছিল। এটা সংশয়ৰ ভাব লৈ চালকজন আৰু মই সেই টুলুং ভুটুং কৰি থকা সৰু নাওখনত উঠি বহিলোঁ। আমাৰ বয়-বস্তুখিনি লৈ বন্ধুজন পাৰতে ৰৈ গ'ল। নাওখন পানীলৈ ঠেলা মাৰি দিছোঁহে মাত্ৰ, পিচ যোৱা তক্তাৰ মাজেদি পানীৰ উহ ওলাই ফিচকাৰী মাৰিবলৈ ধৰিলেই। আমি হাতত বিহকে পালোঁ তাকে ফুটাত গুঁজি দিলোঁ আৰু ইটো পাৰ নোপোৱালৈকে পানী সিঁচিব লগা হ'ল। এঘণ্টাৰ পাছত আমি নৈখনৰ সিটো পাৰত উপস্থিত হলোঁগৈ। চালকজনে গাঁৱৰপৰা জীপখন লৈ আহিলগৈ আৰু নাওখনলৈ উভতি গ'ল।

'এই উ'ৱলি যোৱা মান্ধাতা আমোলৰ ডিঙাডোখৰ যদি পানীত খণ্ড খণ্ড হৈ ভাহি নাযায়, তেন্তে মই দুঘণ্টামানৰ ভিতৰতে আপোনাৰ বন্ধুক লৈ ঘূৰি আহিম। কিন্তু তাতকৈ সোনকালে নহয়,' ব'ঠাপাত হাতত লৈ তেওঁ ক'লে।

গাওঁখনলৈ নৈৰপৰা ভালেখিনি দূৰ। শৰতকালৰ মাজভাগত বা বসন্তৰ ঠিক আৰম্ভণিত পৰিত্যক্ত অঞ্চল-বোৰত যি নিৰ্জনতা বিৰাজ কৰে, পানীৰ ভটিয়নিৰ ফালে তেনে স্তব্ধতাই ঠাই পাইছিল। পচি যোৱা এল্‌ডাৰ গছবোৰৰ তীব্ৰ তিক্ত গোন্ধেৰে সৈতে মিলি পানীৰ ওপৰৰ সেমেকা বতাহত কেনেবা গোন্ধ ওলাইছিল; কিন্তু 'লাইলেক' ফুলৰ দৰে কুঁৱলীত গা ধুই থকা দূৰণিৰ শুকান তৃণভূমিৰপৰা এজাক মৃদু বতাহ বলিছিল, আৰু বোকোচাত লৈ আহিছিল তুষাৰৰ কবলৰপৰা সদ্য মুক্তিপ্ৰাপ্ত মাটিৰ সেই চিৰ-নৱীন গোন্ধটো।

অদূৰৰ পানী ঘূঁৰলিত, বালিত ভাগি যোৱা গছৰ ডালৰ বেৰা এখন আছিল। চিগাৰেট এটা হুপোঁ বুলি মই তাতেই বহি পৰিলোঁ, কিন্তু জেকেটৰ জেপত হাত সুমুৱাইয়ে আৱিষ্কাৰ কৰিলোঁ যে তাত থকা চিগাৰেটৰ পেকেটটো পানী সোমাই সেমেকি পৰিল। মই হতাশ হৈ পৰিলোঁ। নৈ পাৰ হওঁতে বোকা পানীৰে লুতুৰি-পুতুৰি হৈ থকা নাওখনত ঢৌ এটাই খুন্দা মাৰিছিল আৰু বোকা পানীয়ে মোৰ ক'কাললৈকে তিয়াই পেলাইছিল। তেতিয়া চিগাৰেটৰ কথা ভাবিবলৈ সময় নাছিল, কাৰণ ডুবি মৰাৰপৰা ৰক্ষা পৰিবলৈ তেতিয়া ব'ঠা পেলাই যিমান খৰকৈ পাৰোঁ নাৱৰ পানী সিঁচিব লগা হৈছিল। কিন্তু সেই অসাৱধানতাৰ কথা ভাবি এতিয়া নিজৰ

ওপৰতে খং উঠিছিল। মই পানীত ভিজা চিগাৰেটৰ পেকেটটো জেপৰপৰা উলিয়াই লৈ সেমেকি মদৰ্‌ৰা হৈ যোৱা চিগাৰেটকেইটা এটা এটাকৈ বেৰাখনৰ ওপৰত থৈছিলোঁ।

তেতিয়া দ্‌পৰীয়া হৈছিল। বেলিৰ তাপত মে' মাহৰ দৰে গৰম পৰিছিল। মই আশা কৰিলোঁ যে চিগাৰেটবোৰ সোনকালে শ্‌কাই যাব। ইমান বেছি গৰম লাগিছিল যে এইবাৰৰ যাত্ৰাত সৈন্য বাহিনীৰ কপাহ ভৰোৱা ট্ৰাউজাৰ আৰ্‌ জেকেটটো পিন্ধি আহি ভুলেই কৰিলোঁ যেন লাগিছিল। আচলতে, এইটোৱেই আছিল বছৰটোৰ প্ৰথম গৰমৰ দিন। কিন্তু সেই ঠাইখনত নিস্তব্ধতা আৰ্‌ নিঃসঙ্গতাৰ মাজত নিজক এৰি দি বহি থাকিবলৈ ভাল লাগিছিল। নাও বোৱাৰ গভীৰ পৰিশ্ৰমৰ পাছত ঘামি পৰা মোৰ চুলিখিনি পাতল বতাহ জাকে শ্‌কুৱাই নিব পৰাকৈ মই ম্‌ৰৰপৰা সৈনিকৰ সেই প্‌ৰণি 'উছাংকা'টো সোলোকাই থৈছিলোঁ আৰ্‌ অন্‌জ্জ্বল নীলাৰ মাজত ওপঙি থকা বহল ব্‌কুৰ ডাৱৰবোৰলৈ উদাসভাৱে চাবলৈ লৈছিলোঁ।

সেই সময়তে গাওঁখনৰ ম্‌ৰৰ সৰ্‌ সৰ্‌ ঘৰকেইটাৰ পিছফালৰপৰা মান্‌হ এজন ৰাস্তালৈ ওলাই অহা মোৰ চকুত পৰিল। তেওঁ পাঁচ কি ছয় বছৰীয়া সৰ্‌ ল'ৰা এটি হাতত ধৰি লৈ আহিছিল। তেওঁলোক ক্লান্তভাৱে পাৰঘাটৰ ফালে আহি আছিল। কিন্তু জীপ গাড়ীখন পোৱাৰ পাছতে তাৰপৰা ঘ্‌ৰি মোৰ ফালে আহিবলৈ ধৰিলে। ওখ, প্ৰায় ক্‌ঁজী হৈ পৰা মান্‌হজন মোৰ ওচৰলৈকে আহিল। আৰ্‌ গ্‌ৰ্‌গম্ভীৰ কণ্ঠৰে মাতেৰে ক'লে:

'নমস্তে, দোস্ত।'

'নমস্তে।' তেওঁ আগ বঢ়াই দিয়া খহটা হাতখনত ধৰি মই জোকাৰ দিলোঁ।

মান্‌হজনে হালি গৈ সৰ্‌ ল'ৰাটোৰ ম্‌খৰ ওচৰলৈ ম্‌খ নি ক'লে, 'খ্‌ৰাক নমস্কাৰ দে আক'। এওঁও তোৰ দেউতাৰৰ দৰে এজন ড্ৰাইভাৰ যেনেই লাগিছে। পাৰ্থক্য এইখিনিতে যে তই আৰ্‌ মই এখন লৰী চলাওঁ, নহয় জানো, আৰ্‌ তেওঁ সোঁ তাত থকা সৰ্‌ বাছ গাড়ীখন চলায়।'

আকাশখনৰ দৰেই উজ্জ্বল আৰ্‌ পৰিষ্কাৰ এযোৰ চকুৰে মোৰ ফালে পোনে পোনে চাই মিচিকিয়া হাঁহি এটি মাৰি ল'ৰাটিয়ে তাৰ চেঁচা ৰঙচুৱা হাতখনি নিৰ্ভয়ে আগ বঢ়াই দিলে। মই লাহেকৈ তাৰ হাতখন জোকাৰি ক'লোঁ, 'জাৰ লাগিছে নেকি, ককা? এই হেন গৰমৰ দিনতো তোমাৰ হাতখন ইমান চেঁচা কিয়?'

শিশ্‌স্‌লভ আস্থাৰে ল'ৰাটিয়ে মোৰ আঁঠুত গা ঘঁহালে আৰ্‌ আচৰিত হৈ তাৰ সৰ্‌ নোমাল চেলাউঁৰিযোৰ তুলি মোৰ ফালে চালে।

'কিন্তু মইতো 'ককা' নহয়, খ্‌ৰা। মই এটা সৰ্‌ ল'ৰাহে। আৰ্‌ মোৰ দেখোন জাৰো লগা নাই। মই বৰফৰে লাড়্‌ কৰাৰ কাৰণেহে এতিয়া মোৰ হাত দ্‌খন চেঁচা পৰিছে।'

আধাখিনি খালি মোনাটো পিঠিৰপৰা নমাই থৈ দেউতাক মোৰ কাষতে ঘপহ কৰে বহিল আৰ্‌ ক'লে, 'মোৰ এই সঙ্গী যাত্ৰীজন নিয়মীয়া উপদ্ৰৱ। সি নিজেতো ভাগৰি পৰেই, মোকো ভাগৰ লগায়। আপ্‌নি যদি

খোজকেইটা বেগাই দিয়ে, তেন্তে সি কুকুৰ-লৰ দিব; তাৰ লগত খোজ মিলাবলৈ আপুনি যত্ন কৰক। য'ত মোৰ এখোজতে হয়, তাত তাৰ কাৰণেই তিনি খোজ দিব লগা হয়, আৰু এইদৰে আমি ঘোঁৰা আৰু কাছৰ দৰে বাট বুলিব লাগে। আপোনাৰ মুৰটোৰ পিছফালে এটা চকুও থাকিব লাগিব, যাতে সি কি কৰে দেখিবলৈ পায়। যেই আপুনি পিঠি দিব সি বাটৰ গাঁতটোৰ বোকা পানীত খেল্‌খেলাবলৈ ল'ব, নাইবা বৰফৰ টুকুৰা এটা ভাঙি লৈ ললিপপৰ নিচিনাকৈ চুপিবলৈ ধৰিব। ওহোঁ, ইয়াৰ নিচিনা ল'ৰাৰ লগত, অন্ততঃ খোজ কাঢ়ি ভ্ৰমণ কৰা কোনো মানুহৰ কাম নহয় দেই।' তেওঁ কিছু পৰ মনে মনে থাকিল আৰু তাৰ পাছত সুধিলে, 'পিছে আপোনাৰ খবৰ কি দোস্ত? আপুনি মালিকলৈ অপেক্ষা কৰিছে নেকি?'

মই যে ড্ৰাইভাৰ নহয়, সেই কথা তেওঁক জনাব নুখুজিলোঁ। সেই কাৰণে ক'লোঁ:

'কথা তেনেকুৱা যেনেই।'

'তেওঁ সিপাৰৰপৰা আহিব নেকি?'

'এৰা, সিপাৰৰপৰাই।'

'নাওখন সোনকালে এইখিনি পাবহি নে বাৰু, আপুনি জানে নে?'

'দুঘণ্টামান সময় লাগিব।'

'ভালেখিনি সময় লাগিব দেখোন। তেনেহলে অলপ জিৰণিকে লোৱা যাওক! মোৰ তো লৰালৰি কৰিব লগা একো নাই। এইপিনে যাওঁতে আপোনাক দেখা পালোঁ, ভাবিলোঁ আমাৰ লগৰে কোনোবা ড্ৰাইভাৰ হ'ব, হয়তো

ৰ'দ পুৱাইছে; তেওঁৰ লগত বহি চিগাৰেট এহোঁপাকে মাৰোঁগৈ। অকলশৰীয়াকৈ মৰিব লগা হোৱাৰ দৰে অকলে অকলে ধপাত-চিগাৰেট হোপাতো আনন্দ নাই। দেখিছোঁ, আপুনি চিগাৰেট হুঁপি বে'ছ আমেজ পাইছে। পিছে চিগাৰেটবোৰ তিতা নাই জানো? ভাই, তিতা ধপাত ডাক্তৰ লগোৱা ঘোঁৰাৰ দৰে। সিহ'তৰ দুই বিধেই বেয়া, সেই কাৰণে আহক, মোৰ পুৰণি নুৰাটোকে কামত লগোৱা যাওক।'

তেওঁ তেওঁৰ পাতল খাকী পেণ্টটোৰ জেপৰপৰা উ'ৰলি যোৱা ৰেচমী সৰু মোনা এটা উলিয়ালে। তেওঁ তাৰ গাঁঠি খোলোঁতে মোৰ চকুত পৰিল — তাৰ এটা চুকত এম্ব্ৰইডাৰী কৰা আছে: 'আমাৰ চেনেহৰ সৈনিক এজনলৈ — লেবেদ্যানস্কায়া মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী এগৰাকীৰপৰা।'

আমি ঘৰত-কৰা কড়া ধপাত হুঁপিবলৈ ধৰিলোঁ আৰু বহুত পৰ কোনেও মাতবোল কৰা নাছিলোঁ। তেওঁ এই সৰু ল'ৰাটোক লৈ ক'লৈ যাবলৈ আহিছে আৰু এনেকুৱা বেয়া ৰাস্তাৰে কিয় আহিল, এই প্ৰশ্ন মই ঠিক সুধিব খুজিছিলোঁ, কিন্তু তেওঁ আগতেই প্ৰশ্ন কৰিলে:

'যুদ্ধৰ গোটেই সময়ছোৱাতে আপুনি গাড়ী চলাই আছিল নে?'

'প্ৰায় গোটেইখিনি সময়তে!'

'একেবাৰে ফ্ৰণ্ট লাইনত?'

'হয়।'

'মোৰ তাত দুখে কুলাই পাচিয়ে নধৰা হৈছিল দোস্ত, কবলৈ আৰু বাকী নাই।'

তেওঁ তেওঁৰ মস্ত ক'লা হাত দুখন আঁঠুৰ ওপৰত থ'লে আৰু কান্ধ দুখন তললৈ নমাই দি ঘুকুচা হৈ পৰিল। তেওঁৰ ফালে যেতিয়া কেৰাহিকৈ চালোঁ, হঠাৎ মোৰ কিবা বেয়া লাগি গ'ল। ধোঁৱা ছটিয়াই থোৱা যেন এহাল চকু! ইমান আকুলতা, বিষণ্ণতাৰে ভৰি থকা, এই হেন চাবলৈকে সাহস নোহোৱা এযোৰ চকু আপুনি ক'ৰবাত দেখিবলৈ পাইছে নে? আকস্মিকভাৱে হোৱা পৰিচয়ত তেনে এযোৰ চকুকে দেখিবলৈ পালোঁ।

তেওঁ বেৰাখনৰপৰা শুকান গছৰ বেঁকা ঠাৰি এডাল ভাঙি লৈ এক মিনিটমান সময় ধৰি বালিত এটা আচৰিত ধৰণৰ নক্সা আঁকিলে আৰু তাৰ পাছত ক'লে:

'কেতিয়াবা মই নিশা শুব নোৱাৰোঁ। মই আন্ধাৰলৈ থৰ লাগি চাই থাকোঁ আৰু ভাবোঁ: 'জীৱন, তই কিয় এনে কৰিলি? মোক কিয় এনেকৈ পঙ্গু কৰিলি? তই মোৰ কাম কৰা শক্তি কিয় কাঢ়ি নিলি?' আৰু মই একো উত্তৰ নাপাওঁ, আন্ধাৰতো নাপাওঁ, সূৰ্যৰ উজ্জ্বল পোহৰতো নাপাওঁ... নাই, মই একো উত্তৰ নাপাওঁ আৰু কেতিয়াও নাপামো।' আৰু হঠাতে যেন তেওঁ সম্বিত ঘূৰাই পালে, তেওঁৰ সৰু ল'ৰাটিক মৰমেৰে কিলাকুটিৰে হেঁচুকি দি ক'লে, 'যা সোণটো, পানীত অলপ খেলগৈ, ডাঙৰ নৈৰ কাষত সৰু ল'ৰাই সদায় কিবা নহয় কিবা এটা খেলেই। মাত্ৰ চাবি, তোৰ ভৰি যেন পানীত নিভিজে।'

আমি মাত-বোল নকৰাকৈ ধপাত হুঁপি থাকোঁতে বাপেক পুতেক দুয়োলৈ মই লক্ষ্য কৰিছিলোঁ আৰু তেওঁলোকৰ এটা কথা মোৰ কাৰণে অস্বাভাৱিক যেন লাগিছিল। ল'ৰাটোৰে সাধাৰণ কাপোৰকে পিন্ধিছিল,

কিন্তু সেইবোৰ আছিল খহটা, টান — গাত খাই পৰা। দীঘল দাঁতিৰে, বিভাৰ পোৱালিৰ নোমৰ মিহি লাইনিং দিয়া সৰু কোট চোলাটো তাৰ গাত যিদৰে খাপ খাই পৰিছিল, উণৰ মোজাৰ ওপৰত তাৰ সৰু বুট জোতাযোৰ যিদৰে খাঁজ খাই পৰিছিল, কোটটোৰ আস্তিনৰ ফটা এটুকুৰা মিহি ৰিপু কৰি যিদৰে জোৰা লগাই দিয়া হৈছিল, তালৈ চাই এইবোৰ এগৰাকী মহিলাৰ, এগৰাকী মাতৃৰ সুনিপুণ হাতৰ কাম বুলি ধৰিব পাৰি। কিন্তু দেউতাকৰ চেহেৰা আছিল বেলেগ। তেওঁৰ কপাহ ভৰোৱা জেকেটটোৰ কেইবা ঠাইতো পোৱা, ৰিপু কৰা হৈছে যেনেতেনে। জীৰ্ণ খাকী পেণ্টটোত টাপলি এটা মৰা আছিল। কিন্তু সীয়নি মাৰিছিল জখেমখে। টাপলি মৰা কাপোৰ টুকুৰাও পুৰুষৰ হাতৰ বহল বহল সীয়নিৰে লগাই দিয়া হৈছিল। তেওঁ প্ৰায় নতুন হৈ থকা আৰ্মি বুট এযোৰকে পিন্ধিছিল, কিন্তু তেওঁৰ ডাঠ উণী মোজাযোৰত আছিল অসংখ্য ফুটা। এইবোৰ বস্তুৱে কোনো দিনে মহিলাৰ হাতৰ পৰশ পোৱা নাই।... তথাপিও মই ধৰি লৈছিলোঁ — হয় তেওঁৰ ঘৈণীয়েক ঢুকাইছে, নহয় তেওঁ আৰু তেওঁৰ পত্নীৰ মাজত কিবা গোলমাল আছে।

তেওঁ পানীৰ ওচৰলৈ দৌৰি যোৱা পুতেকটিলৈ লক্ষ্য কৰি আছিল। তাৰ পাছত এবাৰ কাহ মাৰি কবলৈ আৰম্ভ কৰিলে আৰু মই মনোযোগেৰে তেওঁৰ কথা শুনিবলৈ ললোঁ।

'আৰম্ভণিতে কব লাগিব মোৰ জীৱনটো তেনেই সাধাৰণ, মোৰ ঘৰ ভৰ'নেজ প্ৰদেশত, জন্ম ১৯০০ চনত। গৃহ-যুদ্ধৰ সময়ত মই ৰে'ড আৰ্মিত, কিকভিদ্‌জেৰ

ডিভিজনত আছিলোঁ। বাইশ চনৰ দুৰ্ভিক্ষৰ কালত মই কুবান ওলালোঁগৈ আৰু তাত কুলাকবিলাকৰ কাৰণে গাধ-খাটনি দিলোঁ, নহলে যে আজিলৈকে জীয়ায়েই নাথাকিলোঁহেঁতেন। কিন্তু ইফালে ঘৰত মোৰ গোটেইটো পৰিয়াল — দেউতা, মা আৰু ভনীজনী অনাহাৰত মৰিল। মই অকলশৰীয়া হৈ থাকি গলোঁ। মিতিৰ-কুটুম বুলিবলৈ মোৰ কোনো ক'তো নাছিল — এটি প্ৰাণীও নাছিল। এবছৰৰ পাছত কুবানৰপৰা উভতি আহি প'জা ঘৰটো বেচি পেলালোঁ। আৰু ভৰ'নেজলৈ গুচি গলোঁ। প্ৰথমতে মই কাঠমিস্ত্ৰীৰ কাম কৰিলোঁ। তাৰ পাছত এটা কাৰখানাত সোমালোঁ আৰু মেকানিকৰ কাম শিকিলোঁ। তাৰ অলপ পাছতে বিয়াও কৰালোঁ। মোৰ পৰিবাৰ ডাঙৰ-দীঘল হৈছিল এটা শিশু সদনত। তাই আছিল ঘাট-মাউৰী। পিছে, মই ভাল মানুহ এজনীকে পাইছিলোঁ। শান্ত স্বভাৱ, হাঁহি মুখ, সদায় আনক সন্তুষ্ট কৰিবলৈ ব্যগ্ৰ। আৰু তাই তজবজীয়াও আছিল। মোৰ লগত তুলনাই নহয়। তাই অকণমানি অৱস্থাৰপৰাই আচল দুখ-কষ্ট কি বুজি পাইছিল, হয়তো তাইৰ চৰিত্ৰৰ ওপৰত তাৰে প্ৰভাৱ পৰিছিল; একাষৰপৰা চালে, আপুনি কব লাগিব তাই চকুত লগা নহয়, কিন্তু বুইছে, মই তাইলৈ কাষৰপৰা নাচাওঁই, পোনে পোনে মুখলৈ চাওঁ আৰু মোৰ কাৰণে গোটেই পৃথিৱীখনত তাইতকৈ ধুনীয়া তিৰোতা নাই আৰু ভৱিষ্যতেও নহ'ব।

'মই কেতিয়াবা ভাগৰে জুগৰে কামৰপৰা উভতি আহোঁ, খঙৰ ভমকত মুৰ গৰম হৈ থাকে, কিন্তু মোৰ ৰুঢ় ব্যৱহাৰৰ উত্তৰ নিদিয়ে। তাই ইমান শান্ত আৰু নম্ৰভাৱে

থাকিব; আপোনাৰ কাৰণে বেঁচি হয়তো একো কৰিব নোৱাৰে, কিন্তু কিবা এটা কৰিবলৈ চেষ্টা কৰিব ধুৰূপ, আনকি কৰিব লগা একো নাথাকিলেও কিবা কৰিবলৈ চেষ্টা কৰিব। তাইলৈ চকু ঘূৰালেই আপোনাৰ মনটো পাতল লাগি যাব আৰু কিছু সময়ৰ পাছত আপুনি হয়তো তাইক সাৱটি ধৰিব আৰু ক'ব, 'মৰমৰ ইৰিনা, তোমাক যে ইমান বেয়া ব্যৱহাৰ কৰিলোঁ তাৰ বাবে মই দুঃখিত। আজি কামত এনে এটা লেতেৰা দিন গ'ল।' আৰু আকৌ আমাৰ মাজত সন্ধি হ'ব আৰু মোৰ মনলৈ শান্তি ঘূৰি আহিব। আৰু দোস্ত, আপুনিতো জানেই কামৰ কাৰণে তেনে শান্তিৰ অৰ্থ কি হ'ব পাৰে? ৰাতিপুৱা মই ধৰ্মৰকৈ উঠিম আৰু কাৰখানালৈ লৰ দিম; আৰু মই যি কামতে হাত দিওঁ সেয়ে ঘড়ীৰ কাঁটাৰ দৰে হৈ যাব। সেয়ে হৈছে প্ৰকৃত বুদ্ধিমতী বান্ধৱী এজনী পত্নী স্বৰূপে পোৱাৰ অৰ্থ।

'কেতিয়াবা এনেকুৱা হয় যে দৰ্মহা পোৱাৰ দিনা লগৰীয়াহঁতৰ লগত মই এটুপি ধৰোঁ। তাৰ পাছত কেতিয়াবা ভৰিৰ থৰ-থুগুতি নোহোৱাকৈ ঢলং-পলং কৰি যিদৰে ঘৰ ওলাওঁহি দেখিলেই হয়তো ভয় লাগি যাব। কাষৰ সৰু ৰাস্তাৰতো কথাই নাই, বহল সদৰ ৰাস্তাটোও মোৰ কাৰণে ঠেক হৈ পৰে। তেতিয়া মই বে'ছ শকত-আৱত, গাত বল-শক্তি থকা ডেকা মানুহ, মই সুৰাপানো কৰিব পাৰিছিলোঁ যথেষ্ট আৰু খাই লৈ মই নিজে নিজেই ঘৰ ওলাওঁহি। কিন্তু কেতিয়াবা শেষৰ বাটছোৱাত 'বটম গিয়েৰ' লগাব লগা হয়, বুইছে, শেষত মই বগুৰা-বাই ঘৰ পাওঁহি। কিন্তু তথাপিও ঘৰত কোনো বকনি শুনিব লগা

নহয়, গালি-শপনি চিঞৰ-বাখৰ একো নুশুনো। মোৰ ইবিনাই, মোলৈ চাই মাত্ৰ হাঁহিব আৰু এনেদৰে মোৰ যতন লব যে মাতাল হৈ পৰিলেও মই তাইৰ ব্যৱহাৰত অকণো খুঁত ধৰিব নোৱাৰোঁ। তাই মোৰ বুট জোতাযোৰ খুলি দিব আৰু ফুচ্‌ফুচাই কোৱাৰ দৰে ক'ব, 'তুমি আজি নিশা বেৰখনৰ কাষলৈ শোৱাহে ভাল হ'ব আন্দ্ৰেই, নহলে টোপনিতে বিছনাৰপৰা তললৈ পৰি যাব পাৰা।' আৰু মই য-ধানৰ বস্তা এটাৰ দৰে গেমেহকৈ পৰি যাম আৰু মোৰ চকুৰ আগত আটাইবোৰ বস্তু সাঁতুৰি-নাদুৰি ফুৰিব। আৰু যেতিয়া টোপনি আহিবলৈ ধৰিব, তেতিয়া অনুভৱ কৰিম তাই হয়তো মোৰ মূৰত লাহে লাহে হাত বুলাইছে আৰু সৰু সৰুকৈ কিবা মিঠা কথা কৈছে। মই বুজিছিলোঁ তাই মোৰ কাৰণে দুখ কৰিছিল।

'ৰাতিপুৱা তাই মোক কামলৈ যোৱাৰ দুঘণ্টামানৰ আগতে জগাই দিব যাতে ইতিমধ্যে মই সুস্থ হৈ পৰোঁ। মদৰ নিচা বেছি হৈ পৰি থকাৰ পাছত মই যে একো নাখাওঁ তাই জানে, সেই কাৰণে তাই আচাৰৰ তিয়'হ নাইবা তেনে কিবা এবিধ খোৱাৰ যোগাৰ কৰিব আৰু পিছৰ প্ৰতিক্ৰিয়া দূৰ কৰিবলৈ ভাল এগিলাচ ভদ্‌কা ঢালি দিব। 'এইখিনি লোৱা আন্দ্ৰেই, কিন্তু আৰু এনেকুৱা নকৰিবা।' কোনোবাই যদি এটা মানুহৰ ওপৰত ইমানখিনি বিশ্বাস ৰাখে তেন্তে কোনে বাৰু সেই বিশ্বাস ভঙ্গ কৰিব পাৰে? মই ভদ্‌কাখিনি খাই মুখেৰে একো নোকোৱাকৈ তাইক ধন্যবাদ জনাম আৰু এবাৰ তাইৰ ফালে চাই চুমা এটা খাই ভেড়া পোৱালি এটাৰ দৰে সুৰসুৰকৈ কামলৈ ওলাই যাম। কিন্তু মই মদ খাই টং হৈ থকা অৱস্থাত তাই

যদি মোক গালি-শপনি পাৰিলেহেঁতেন, মোৰ বিৰুদ্ধে কিবা ক'লেহেঁতেন, তেনেহলে মই আকৌ মাতাল হৈ ঘৰলৈ আহিলোঁহেঁতেন, তিনি সইত খাই কৈছোঁ মই তাকে কৰিলোঁহেঁতেন। তিৰোতাজনী যদি মূৰ্খ হয়, তেন্তে কিছুমান পৰিয়ালত সেয়ে ঘটে। মই এইবোৰ বহুত দেখিছোঁ, বহুত জানোঁ।

'তাৰ পাছত ল'ৰা-ছোৱালী আহিবলৈ ধৰিলে। প্ৰথমতে ল'ৰাটো উপজিল। তাৰ পাছত দুজনী ছোৱালী, আৰু তেতিয়াই মই লগৰীয়াবোৰৰপৰা আঁতৰি পৰিলোঁ, তেতিয়াৰপৰা গোটেইখিনি দৰ্মহা ঘৰলৈ আনিবলৈ ধৰিলোঁ; আমাৰ সংসাৰখন ডাঙৰ হ'ল আৰু মদ খাই থাকিবলৈ মোৰ সময় নোহোৱা হ'ল। ছুটীৰ দিনত বিয়েৰ এগিলাচ লওঁ আৰু তাকে লৈ মই সন্তুষ্ট হওঁ।

'উনত্ৰিশ চনত মটৰ গাড়ীৰ প্ৰতি মোৰ এটা আকৰ্ষণ জন্মিল। মই গাড়ী চলাবলৈ শিকিলোঁ আৰু লৰী এখনত কাম আৰম্ভ কৰিলোঁ, গাড়ীৰ লগত এবাৰ চিনাকি হৈ লোৱাৰ পাছত মোৰ আৰু কাৰখানালৈ যাবলৈ মন নোহোৱা হ'ল। লৰীৰ ষ্টিয়েৰিঙহে বেছি পছন্দ হ'ল। আৰু এইদৰে দহটা বছৰ মই গম নোপোৱাকৈয়ে পাৰ হৈ গ'ল। সেইটো যেন এটা সপোন আছিল। কিন্তু দহোটা বছৰ নো কি? চল্লিছৰ ওপৰৰ যিকোনো মানুহকে সোধকচোন, জীৱনটো কেনেকৈ যায় লক্ষ্য কৰে নেকি? আপুনি দেখিব, তেওঁ সেই কথা চিন্তাই কৰা নাই। অতীতটো সোঁ দুৰাণিৰ ধুৱঁলি-কুঁৱলি স্তেপ অঞ্চলৰ দৰে। এই ৰাতিপুৱা মই সেই স্তেপভূমি পাৰ হৈ আহোঁতে চাৰিওফালে পৰিষ্কাৰ আছিল, কিন্তু এতিয়া বিছ কিলোমিটাৰ

আহোঁতে তাৰ ওপৰত কঁহুৰলি পৰিছে; আৰু তাত গছেই আছে নে ঘাঁহেই আছে, চহোৰা পথাৰেই আছে নে ঘাঁহনিয়ে আছে আপুনি একো কব নোৱাৰে।

'সেই দহ বছৰ মই দিনে-ৰাতিয়ে কাম কৰিছিলোঁ। উপাৰ্জনো ভাল হৈছিল আৰু আমি আন মানুহতকৈ বেয়াকৈ থকা নাছিলোঁ। আৰু ল'ৰা-ছোৱালীকেইটিয়েই আছিল আমাৰ আনন্দ। সিহঁতৰ তিনিওটাই স্কুলত ভাল নাম কৰিছিল; আৰু সব ডাঙৰ আনাতলীয়ে গণিতত ইমান ভাল কৰিছিল যে মস্কোৰ বাতৰি-কাকততো তাৰ নাম ওলাইছিল। সিনো ক'ৰপৰা এই ডাঙৰ গুণটো পাইছিল মই কবই নোৱাৰোঁ, দোস্ত। কিন্তু মোৰ কাৰণে ই আছিল পৰম সৌভাগ্যৰ কথা আৰু তাক লৈ মোৰ গৰ্ব হৈছিল, বিৰাট গৰ্ব হৈছিল!

'দহ বছৰত আমি কিছু পইছা সাঁচিলোঁ আৰু যুদ্ধ লগাৰ আগতে দুটা কোঠালি, এখন চালি আৰু অকণমান বাৰান্দা এখন থকা সৰু ঘৰ এটাও সাজিলোঁ। ইৰিনাই ছাগলী এহাল কিনিছিল। তাতকৈ আৰু আমাক কি লাগে! ল'ৰা-ছোৱালীকেইটাৰ 'পৰিজ'ত (পায়সত) দিবলৈ গাখীৰ আছিল, আশ্ৰয় লবলৈ মূৰৰ ওপৰত এখন চাল আছিল, গাত কাপোৰ, ভৰিত জোতা — আটাইখিনি পুৰাপুৰি আছিল। মাত্ৰ এটাই অসুবিধাৰ কথা আছিল যে মোৰ ঘৰ সজা ঠাইডোখৰ ভাল নাছিল। মোক দিয়া মাটিডোখৰৰপৰা বিমান কাৰখানালৈ বেছি দূৰ নাছিল। মোৰ সেই সৰু ঠাইকণ আন ক'ৰবাত হোৱা হ'লে মোৰ জীৱনটোৱেই হয়তো আনফালে গ'লহেঁতেন...।

'আৰু তাৰ পাছত আহিল যুদ্ধ, পিছ দিনা 'কল

পেপাৰ' পালোঁৱেই। পিছ দিনাৰ পিছ দিনা 'অনুগ্ৰহ কৰি ষ্টেচনত' হাজিৰ হ'ব লাগে। মোৰ ঘৰৰ চাৰিওটিয়ে একেলগে মোক বিদায় দিলেঃ ইৰিনা, আনাতলী আৰু ছোৱালী দুজনী — নাস্তেংকা আৰু অলিউস্কাই। ছোৱালী দুজনীয়ে চকু-পানী বন্ধ কৰিব পৰা নাছিল যদিও ল'ৰা-ছোৱালীকেইটাই কথাটো সহজভাৱেই লৈছিল। আনাতলীৰ গাটো কঁপিছিল যেন তাৰ জাৰহে লাগিছিল; সেইবাৰ তাৰ বয়স সোতৰত সোমাইছিল। কিন্তু মোৰ সেই ইৰিনাজনী... আমি একেলগে থাকি সংসাৰ কৰা সোতৰটা বছৰত মই এদিনলৈও তেনে কথা দেখিবলৈ পোৱা নাছিলোঁ। সেই নিশা মোৰ কামিজটো আৰু বুকুখন তাইৰ চকু-পানীয়ে ভিজাই পেলাইছিল। ৰাতিপুৱাও সেই একে কথা। আমি ষ্টেচন পালোঁগৈ আৰু তাইৰ কাৰণে মোৰ ইমান বেজাৰ লাগিল যে মই তাইৰ মুখলৈ চাবকে নোৱৰা হলোঁ। চকু-পানী টোকোঁতে তাইৰ ওঁঠ দুটা উখহি পৰিছিল, তাইৰ শ্বলখনৰ তলৰপৰা চুলিবোৰ ওলাই আহিছিল, আৰু তাই নিস্প্ৰভ চকু দুটাৰে অন্যমনস্কভাৱে এফালে ৰ লাগি চাই আছিল। অফিচাৰে গাড়ীত উঠিবলৈ নিৰ্দেশ দিছিল, কিন্তু তাই মোৰ বুকুত সোমাই দুই হাতেৰে মোৰ ডিঙিত সাৰটি ধৰিছিল, গোটেই মানুহজনী কঁপিবলৈ ধৰিছিল যেন গুৰি কাটি পেলোৱা গছ এডালহে কঁপিছে।... ল'ৰা-ছোৱালীকেইটাই তাইৰ লগত কথা পাতি তাইক স্বাভাৱিক অৱস্থালৈ আনিবলৈ চেষ্টা কৰিলে, ময়ো কৰিলোঁ কিন্তু একোতে একো নহ'ল। আনবোৰ তিৰোতাই তেওঁলোকৰ গিৰীয়েক আৰু পুতেকহঁতৰ লগত কথা বতৰা পাতিছিল, কিন্তু

২°

আমাৰজনী গছৰ ডালত পাত এখিলা লাগি থকাৰ দৰে মোৰ গাত লাগি আছিল। তাই একেবাহে কঁপি আছিল আৰু মুখেৰে এটাও মাত মাতিব পৰা নাছিল। 'ইৰিনা, সোণজনী, ধৈৰ্য্য ধৰা। ঘোৰাৰ আগতে মোক অন্ততঃ এষাৰ মাত দিয়াঁচোন,' মই কৈছিলোঁ। আৰু তাই উচুপি উচুপি মাথোন ইয়াকে কৈছিল, 'আন্দ্ৰেই... মোৰ ধনটো... এই পৃথিৱীত... আমি আৰু কেতিয়াও... ইটোৱে সিটোক দুনাই... দেখিবলৈ নাপাওঁ...।'

'তাইৰ বেজাৰত মোৰ বুকুখন ইফালে এনেয়ে ডেই-পুৰি গৈছে, তাতে তাইৰ সেই সোপা কথা। তাই বুজিব লাগিছিল যে তাইক এৰি যোৱাটো মোৰ কাৰণে সহজ কথা নহয়, তদুপৰি মই ভোজ খাবলৈও ওলোৱা নাই। আৰু, মোৰ মেজাজ গৰম হৈ গ'ল! তাইৰ হাত দুখন বলেৰে ডিঙিৰপৰা এৰুৱাই তাইক এটা ঠেলা মাৰি দিলোঁ। মোৰ ফালৰপৰা সেইটো সামান্য হেঁচোক এটাহে আছিল যদিও তাই তিনিখোজমান ঢলং-পলংকৈ পিছুৱাই যাব লগা হ'ল, কাৰণ মই বলদ এটাৰ দৰে বলী আছিলোঁ। কিন্তু তাই আকৌ মোৰ ফালে লাহে লাহে আহিবলৈ ধৰিছিল। মই চিঞৰি উঠিলোঁ, 'এইদৰে মানুহক বিদায় দিয়ে নেকি? তই মোক সময় নৌ হওঁতেই মাটিত পুতি থব খুজিছ নেকি? কিন্তু তাইক মই আকৌ দুবাহুৰে সাৱটি ধৰিলোঁ কাৰণ মই দেখিবলৈ পাইছিলোঁ তাইৰ অৱস্থা বেয়া...'

তেওঁ হঠাৎ স্তব্ধ হৈ গ'ল। আৰু ইয়াৰ পাছৰ নীৰৱ সময়খিনিত তেওঁৰ ডিঙিৰপৰা ওলোৱা শ্বাস-কষ্টৰ শব্দ মই শুনিবলৈ পালোঁ। তেওঁৰ আবেগখিনিয়েই মোক বহুত কথা জনাই দিলে, মই কেৰাহিকৈ তেওঁৰ ফালে চালোঁ কিন্তু

তেওঁৰ সেই নিৰ্জীৱ ছাই বৰণীয়া চকু দুটাত এটোপালো চকুলো নেদেখিলোঁ। তেওঁ হতাশভাৱে মূৰটো তললৈ কৰি বহি ৰ'ল। তেওঁৰ গাৰ দুকাষে অলসভাৱে ওলমি থকা ডাঙৰ হাত দুখন অলপ কঁপিছিল; তেওঁৰ থুঁতৰিটো লৰিছিল, সেইদৰে তেওঁৰ কঠিন ওঁঠ দুখনো কঁপিছিল।

'আপুনি বিচলিত নহব, বন্ধু, ইয়াৰ কথা নাভাবিব,' মই শান্তভাৱে ক'লোঁ। কিন্তু তেওঁ মোৰ কথালৈ কাণ দিয়া যেন নালাগিল আৰু বহুত চেষ্টা কৰি তেওঁ আবেগ সংযত কৰি হঠাৎ ভগা ভগা, আচৰিতভাৱে সলনি হৈ পৰা মাতেৰে ক'লে:

'মোৰ অন্তিম কাল সেই মৃত্যুৰ দিনলৈকে, মোৰ জীৱনৰ শেষ মুহূৰ্তলৈকে, তাইক সেইদৰে ঠেলা মাৰি দিয়াৰ বাবে নিজক মই কেতিয়াও ক্ষমা কৰিব নোৱাৰিম।'

তেওঁ আকৌ বহুত পৰলৈ নীৰৱ হৈ পৰিল। চিগাৰেট এটা পকাবলৈ চেষ্টা কৰিছিল, কিন্তু পুৰণা খবৰ-কাকতৰ কাগজকণ তেওঁৰ আঙুলিৰ মাজত ফাটি ছিটি গ'ল আৰু ধপাতখিনি আঁঠুৰ ওপৰত সিঁচৰতি হৈ পৰিল। শেষত তেওঁ কাগজ আৰু ধপাতেৰে চিগাৰেট এটাৰ নিচিনা কিবা এটা কৰিবলৈ সক্ষম হ'ল আৰু হেঁপাহেৰে ঘন ঘনকৈ কেইটামান হোঁপা মাৰিবলৈ ধৰিলে — গল-হেঁকাৰি এটা মাৰি আকৌ ক'বলৈ ধৰিলে:

'মই ইৰিনাৰ গাৰপৰা আঁতৰি তাইৰ মুখখন হাতেৰে দাঙি ধৰিলোঁ আৰু তাইক চুমা খালোঁ, তাইৰ ওঁঠ দুখনি তেতিয়া বৰফৰ দৰে চেঁচা হৈ পৰিছিল। মই ল'ৰা-ছোৱালীকেইটাক বিদায় বুলি কৈ ৰেলগাড়ীলৈ লৰ ধৰিলোঁ আৰু কোনো মতে জাপ মাৰি চিঞৰি উঠিলোঁ,

কাৰণ গাড়ী তেতিয়া চলিবলৈ আৰম্ভ কৰিছিল। প্ৰথমতে ৰেলগাড়ীখন খুব লাহে লাহে চলিছিল আৰু মোৰ পৰিয়ালটোৰ আগেদিয়েই মোক আকৌ লৈ গৈছিল। মই দেখিবলৈ পাইছিলোঁ মোৰ দুৰ্ভগীয়া সৰু সৰু অনাথ ল'ৰা-ছোৱালীকেইটাই একে ঠাইতে থুপ খাই বৈ সিহঁতৰ হাত জোকাৰিছিল, আৰু হাঁহিবলৈ চেষ্টা কৰিছিল যদিওবা সিহঁতে হাঁহিব পৰা নাছিল। আৰু ইৰিনা, তাই হাত দুখন বুকুত জোৰেৰে সাৱটি ধৰি আছিল, তাই যেন গুণগুণকৈ কিবা কৈছিল আৰু তধা লাগি মোলৈ চাই আছিল, তাইৰ গাটো আগফালে হাউলি পৰিছিল, যেন প্ৰচণ্ড বতাহৰ বিপৰীতে তাই খোজ কাঢ়িবলৈ ধৰিছে। আৰু সেই দৰেই মই জীৱনৰ বাকী সময়ছোৱাত তাইলৈ মনত পেলাম — বুকুখন সাৱটি থকা হাত দুখন, বগা ওঁঠ দুখনি, বহলকৈ মেলা চকুযুৰি আৰু তাত ভৰপূৰ হৈ থকা চকু-পানীবোৰ...। আৰু মই সেই দৰেই তাইক বেছিভাগ সপোনতো দেখোঁ। মই তাইক তেনে দৰে কিয় বাৰু ঠেলা মাৰি দিছিলোঁ? আজিও মোৰ যেতিয়া তালৈ মনত পৰে, মোৰ কলিজাত বদুৰা কটাৰী এখনে ৰেপ দিয়াৰ দৰে অনুভৱ কৰোঁ।

'ইউক্ৰেনৰ বেলায়া ৎছেৰকোভত থকা ইউনিটলৈ আমাক পঠোৱা হ'ল। মোক তিনি-টনীয়া গাড়ী এখন দিলে, আৰু তাকে লৈ মই ৰণাঙ্গনলৈ গলোঁ। যুদ্ধৰ কথা আপোনাক কি ক'ম, আপুনিতো নিজেই দেখিছিল আৰু যুদ্ধত কাম কৰা কেনেকুৱা তাকো ভালদৰে জানে। আপুনি ঘৰৰপৰা হয়তো এসোপামান চিঠি পাব, কিন্তু সেৰেঙাকৈহে উত্তৰ দিব। মাজে-সময়ে আপুনি লিখিব — সকলো ঠিক আছে

আৰু আপুনি অলপ-অচৰপ যুদ্ধ কৰিব লগা হৈছে। আপুনি লিখিব — আমি হয়তো বৰ্তমান পিছ হুঁহকিব লগা হৈছে, কিন্তু ফ্ৰিৎছিহঁতক এসেকা দিবৰ বাবে আমাৰ শক্তি-সামৰ্থ্য গোটাবলৈ বেছি সময় নালাগিব। তাৰ বাহিৰে আপুনি আন কথানো কি লিখিব পাৰিব? সেই কালছোৱা আছিল ভয়ানক সময় আৰু চিঠি-পত্ৰ লিখিবলৈ আপোনাৰ মনো নাযায়। আৰু মই ক'বই লাগিব যে সেই একেবোৰ দুখৰ কথাকে পেন্‌পেনাই থাকিবলৈ মই ভাল নাপাওঁ; প্ৰতি দিনে ঘৈণীয়েক প্ৰেমিকা বা ল'ৰা-ছোৱালীলৈ কোনো কাৰণ নথকাকৈ — উস্ কি যে কঠোৰ জীৱন, ময়ো হয়তো কোনোবা দিনা নিহত হ'ব পাৰোঁ ইত্যাদি কথা লিখি কাগজত নাকৰ পানী, চকুৰ পানী ঘঁহি চিঠি লিখা সেইবিলাকৰ দৃশ্যও মোৰ সহ্য নহয়। তেনে চিঠি লিখা কুকুৰণীৰ পুতেকে ওজৰ-আপত্তি উলিয়াই থাকিব, সহানুভূতি আকৰ্ষণ কৰিবলৈ বিচাৰিব, চকু-পানী টুকি থাকিব আৰু সি বুজি নাপায় যে সেই দুৰ্ভগীয়া বেচেৰী ঘৈণীয়েক আৰু ল'ৰা-ছোৱালীবোৰো ঘৰত আমাৰ দৰেই কষ্টত থাকিব লগা হৈছে, কিয়নো তেওঁলোকেই কান্ধত গোটেই দেশখনৰ বোজা বহন কৰিব লগা হৈছিল। আৰু, সেই ধৰণৰ বোজাত ভাগি নপৰিবলৈ আমাৰ মহিলা আৰু শিশুসকলৰ কান্ধ কিমান প্ৰশস্ত হব লাগিব! কিন্তু তেওঁলোকৰ কান্ধ ভাগি নপৰিল, তেওঁলোকে সেই বোজা বহন কৰিলে! আকৌ এনেতে সেই পেনেৰাজাকৰ এটাই হয়তো বিননি তোলা চিঠিখন লিখিব আৰু ইয়েই শ্ৰমিক মহিলা এগৰাকীক বিচলিত কৰি তুলিব। তেনে এখন চিঠি পাই তাই নিজে কি কৰিব আৰু নিজৰ কাম-বন

কেনেকৈ কৰিব তাক কব নোৱৰা হৈ পৰিব। নহয়! মতা মানুহতো সেই কাৰণেই হৈছে — সৈনিকৰতো সেয়ে কাম — যেতিয়া দৰকাৰ হয় সকলোৰে লগত চলিব লাগিব, সকলো সহ্য কৰিব লাগিব। কিন্তু আপোনাৰ গাত যদি পুৰুষতকৈ তিৰোতাৰ ভাগটোহে বেছি থাকে, তেন্তে আপোনাৰ শুকান তপিনাখন ঢাকিবলৈ ফ্রিল দিয়া স্কার্ট এটা পিন্ধক যাতে আপোনাক পাছফালৰ অন্ততঃ এজনী তিৰোতা যেন দেখি, তাৰ পাছত 'বিট' খেতিত বনবাত গুচাবলৈ লওক নাইবা গাই খীৰাওক, কাৰণ ৰণাঙ্গণত আপোনাৰ দৰে মানুহৰ কোনো দৰকাৰ নাই।

'কিন্তু মই এবছৰো যুদ্ধ কৰিবলৈ নাপালোঁ... দুবাৰ আহত হলোঁ, কিন্তু দুয়োবাৰেই সামান্যৰূপে; এবাৰ হাতত, আনবাৰ ভৰিত। প্ৰথমটো আঘাত পালোঁ বিমান এখনৰপৰা অহা এটা গুলীত, দ্বিতীয়বাৰ স্রাপনেলৰ টুকুৰা এটা লাগিছিল। জাৰ্মানহ'তে মোৰ লৰীখন তলে-ওপৰে থকা-সৰকা কৰি পেলাইছিল, কিন্তু প্ৰথমতে মোৰ ভাগ্য ভালেই আছিল। এৰা, মোৰ ভাগ্য সদায় ভাল আছিল, পাছতহে বেয়া হৈ গ'ল।... বিয়াল্লিছৰ মে' মাহত লজোভেংকিত মই বন্দী হলোঁ। সেইটো আছিল এক বিশৃংখল সৰঞ্জামৰ অৱস্থাৰ ফল। জাৰ্মানহ'তে তীব্ৰ আক্রমণ চলাইছে, ইফালে আমাৰ ১২২ মিঃ মিঃ হৱিটজাৰ বৰতোপৰ খাৰ-বাৰুদ প্ৰায় নোহোৱা হ'ল; মোৰ লৰীখনত ওপৰাওপৰিকৈ 'শ্বেল' বোজাই কৰিছিলোঁ; মোৰ কামিজটো ঘামত তিতি পিঠিত লাগি নধৰালৈকে মই নিজেই কামটো কৰিছিলোঁ। আমি তাৰপৰা যাব লগা হৈছিল, কাৰণ সিহ'তে কেউপিনৰপৰা আমাক চেপি আনিছিল, বাওঁফালে শুনিবলৈ পাইছিলোঁ

টেংকৰ ঘৰ্ঘৰণি, সোঁফালে আৰু সমুখৰপৰা গুলী-বৰ্ষণ; অৱস্থাটো আমাৰ কাৰণে অকণো সুবিধাজনক নাছিল।

'তুমি সৰকি যাব পাৰিবা নে ছক'লভ?' আমাৰ কম্পেনীৰ কমাণ্ডাৰে মোক সুধিলে। তেওঁ মোক সেই দৰে সুধিবই নালাগিছিল। মোৰ লগৰীয়াবোৰ মৰিব আৰু মই বুঢ়া আঙুলিত টিলিকি মাৰি বহি থাকিম নে? 'আপুনি কি কথা কৈছে?' মই তেওঁক ক'লোঁ, 'মই ইয়াৰ মাজেদি যাবই লাগিব আৰু সেয়ে হ'ব।' তেওঁ ক'লে, 'তেন্তে সৰকি যোৱাঁ আৰু কামত লাগাঁ।'

'আৰু কামত মই ঠিকেই লাগিলোঁ। জীৱনত আগতে কেতিয়াও মই সেই দৰে গাড়ী চলোৱা নাছিলোঁ! মই জানিছিলোঁ যে মই আলুৰ বস্তা কঢ়িয়াই নিয়া নাছিলোঁ, বুজিছিলোঁ যে মই যিখিনি বস্তু নিছোঁ তাৰ কাৰণে অতি সাৱধান হ'ব লাগিব। কিন্তু হওঁ কেনেকৈ, সিফালে ল'ৰাহ'তে শুদা হাতেৰে তাত যুদ্ধ কৰিছে আৰু ইফালে গোটেই ৰাস্তাতে বৰতোপৰ গুলী। মই ছয় কিলোমিটাৰমান গলোঁ আৰু গন্তব্য স্থানৰ প্ৰায় ওচৰেই পাইছিলোঁগৈ। কামান ৰখা গাঁতৰ দৰে ঠাইডোখৰলৈ যাবলৈ মই ৰাস্তাৰপৰা একাষে নামি যাব লগা হ'ল আৰু তাৰ পাছত মই কি দেখিলোঁ? ৰাস্তাৰ দুয়ো পাৰে আমাৰ পদাতিক বাহিনী দেখোন, পথাৰখন পাৰ হৈ পিছফালে দৌৰিবলৈ ধৰিছে আৰু সৈন্যবোৰৰ চাৰিওফালে কামানৰ গোলা ফুটিবলৈ ধৰিছে। মই কি কৰিম? মইতো উভতি যাব নোৱাৰোঁ, পাৰোঁ জানো? কামানৰ বেটাৰীটো পাবলৈ প্ৰায় এক কিলোমিটাৰ বাট বাকী, মই ইতিমধ্যে ৰাস্তাৰপৰা নামি পৰিছোঁ, কিন্তু মই ঠাইডোখৰ নেপালোঁগৈ, দোস্ত...

দূৰগামী কামান এটাই মোৰ ল'ৰীখনৰ কাষতে এটা গোলা পেলালে। মই গোলা ফুটা শব্দটো নাইবা আন একোকে শুনিবলৈ পোৱা নাছিলোঁ, মাত্ৰ মোৰ মূৰটোৰ ভিতৰত কিবা এটাৰ বিস্ফোৰণ হ'ল আৰু মই তাৰ পাছত একো ক'ব নোৱৰা হলোঁ। মই কেনেকৈ জীয়াই থাকিলোঁ আৰু সেই খালটোৰ কাষত কিমান পৰ পৰি আছিলোঁ একো কব নোৱাৰোঁ। মই চকু মেলিলোঁ, কিন্তু মই উঠিব পৰা নাছিলোঁ; মোৰ মূৰটো জিকাৰ খাই আছিল আৰু জ্বৰ উঠাৰ দৰে মই কঁপিছিলোঁ, গোটেইখন আন্ধাৰ আন্ধাৰ লাগিছিল; মোৰ বাওঁফালৰ কান্ধখনত কিবাই যেন আঁচুৰিছিল আৰু পিহি গুড়ি কৰিবলৈ ধৰিছিল। উধৰপৰা মূধলৈ মোৰ গাটো এনেদৰে বিষাইছিল যেন কোনোবাই দুদিন ধৰি হাতত যি পায় তাৰে মোক মাধমাৰ শোধাইছিল। বহুত পৰ মই পেটৰ ওপৰত ভৰ দি ভৰি-হাত আছাৰি থকাৰ পাছত শেষত উঠিবলৈ সক্ষম হলোঁ। কিন্তু তেতিয়াও মই তত ধৰিব পৰা নাছিলোঁ — মই ক'ত আছোঁ আৰু মোৰ হ'ল কি। মোৰ স্মৰণশক্তি একেবাৰে নোহোৱা হ'ল। কিন্তু পৰি থাকিবলৈ মোৰ ভয় হ'ল। মোৰ ভয় লাগিছিল জানোচা শুই পৰিলে আৰু উঠিব নোৱৰা হওঁ। সেই কাৰণে ধুমুহা বতাহত ইফালৰপৰা সিফাললৈ হালি-জালি থকা পপলাৰ গছৰ দৰে মইও গাত ধৰ নোহোৱাকৈ থিয় দি ৰ'লোঁ।

'যেতিয়া মোৰ ভালদৰে হুঁচ আহিল আৰু ইফালে সিফালে চালোঁ, তেতিয়া অনুভৱ হ'ল যেন কোনোবাই এডাল চেপেনাৰে মোৰ কলিজাটো চেপি ধৰিছে। মই নিয়া 'শ্বেল'বোৰ মোৰ চাৰিওফালে সিঁচৰতি হৈ পৰি আছিল।

অলপ দূৰত মোৰ লৰীখন আছিল ভাগি টুকুৰা-টুকুৰ হৈ, চকাকেইটা ওপৰ ফালে দাং খাই আছিল। আৰু যুদ্ধ? যুদ্ধ চলিছিল মোৰ পিছফালে — হয়, মোৰ পিছফালে!

'যেতিয়া মই সেই কথা উপলব্ধি কৰিলোঁ, কোৱাত লাজ কৰিব লগা কিটো আছে, মোৰ যেন পেটতে হাত-ভৰি লুকাল, আৰু মই গুৰি কটা গছডালৰ দৰে বাগৰি পৰিলোঁ, কাৰণ মই বুজিব পাৰিলোঁ যে মই শত্ৰুপক্ষৰ এলেকাৰ ভিতৰত বৈ গলোঁ নাইবা চাফ কথাত ক'বলৈ হলে মই ইতিমধ্যে ফেচিষ্টহ'তৰ বন্দী হৈ পৰিছোঁ। সেইখনেই আছিল আপোনাৰ যুদ্ধ...

'নাই, দোস্ত, আপোনাৰ কোনো ইচ্ছা নথকাকৈ আপুনি যে বন্দী হ'ব লগা হ'ল — এই কথাটো উপলব্ধি কৰা সহজ নহয়, কথাটো বুজিবলৈ সহজ নহয়। আৰু এই অৱস্থাটো নিজৰ ক্ষেত্ৰত নোহোৱা মানুহ এজনক বুজাবলৈও যথেষ্ট সময় লাগে।

'সেয়ে মই তাতে পৰি ৰ'লোঁ আৰু অলপ পাছতে টেংকৰ ঘৰ্ঘৰণি শব্দ শুনিবলৈ পালোঁ, চাৰিটা মজলীয়া বিধৰ জাৰ্মান টেংক, মই য'ৰপৰা 'শ্বেল'বোৰ আনিছিলোঁ সেইফাললৈ মোৰ কাষেদি পূৰ্ণ গতিত পাৰ হৈ গ'ল। তেতিয়া বাৰু কেনেকুৱা লাগিছিল বুলি আপুনি ভাবে? তাৰ পাছত আহিল কামান টানি অনা ট্ৰেক্টৰবোৰ আৰু এটা চলন্ত ৰান্ধনি-ঘৰ, তাৰ পাছত পদাতিক সৈন্যৰ দল, সংখ্যাত বেছি নহয়, গোটেইবোৰ লগ লগাই এক কম্পেনীৰ বেছি নহ'ব, মই চকুৰ কোণেৰে বে'কাকৈ সিহ'তলৈ চালোঁ আৰু তাৰ পাছতে আকৌ মাটিত মুখখন গুঁজি দিলোঁ।

সিহঁতলৈ চাবলৈ মোৰ বিৰক্তি লাগিল — মোৰ অন্তৰত তীব্ৰ বেদনা অনুভৱ কৰিলোঁ...

'সিহঁত আটাইবোৰ গ'লগৈ বুলি ভাবি মই যেতিয়া মূৰটো দাঙিলোঁ, তেতিয়া দেখিলোঁ মোৰপৰা এশ খোজমান দূৰৈৰে দি ছটা ছাব-মেচিনগানধাৰী যাব লাগিছে। মই চোৰাৰ লগে লগে সিহঁতে ৰাস্তাৰপৰা নামি পোনে পোনে মোৰ ফালে কোব ল'লে, সিহঁত ছটাৰ আটাইকেউটাই, মুখত কোনো কথা-বতৰা নাই। মই ভাবি ল'লোঁ ঘটনা এনেহে তেন্তে! সেই কাৰণে মই উঠি বহিলোঁ — কাৰণ মই শুই থাকোঁতেই মৰিবলৈ বিচৰা নাছিলোঁ — আৰু অলপ পাছতে থিয় হলোঁ। সিহঁতৰ এটা মোৰপৰা কেইখোজমান আঁতৰত ৰ'লহি আৰু তাৰ কান্ধত থকা বন্দুকটো টানি আনিলে। মানুহ যে কেনেকৈ তৈয়াৰ হৈছে ভাবিলে হাঁহি উঠা কথা যেন লাগে, কিন্তু ঠিক সেই সময়ত মই অকণো উদ্বেগ বোধ কৰা নাছিলোঁ, আনকি অন্তৰত কঁপনিও অনুভৱ কৰা নাছিলোঁ। মই মাত্ৰ তালৈ চাই আছিলোঁ আৰু ভাবিছিলোঁ: 'নিশ্চয় সি সোনকালে গুলী এৰিব, পিছে সি গুলিটো ক'ত মাৰিব, মোৰ মূৰত নে বুকুত?' সি মোৰ শৰীৰৰ কোন অংশত ফুটাটো কৰে সেইটোৱেই যেন মোৰ কাৰণে ডাঙৰ কথা হৈ পৰিছিল।

'ডেকা ল'ৰাটো, বে'ছ শকত-আৱত, ক'লা চুলি, কিন্তু তাৰ ওঁঠ দুটা আছিল পাণ যেন পাতল আৰু চকুত আছিল এটা লেতেৰা জলমলনি। মই ধৰি লৈছিলোঁ যে ই মোক গুলীয়াবলৈ আৰু দ্বিতীয়বাৰ চিন্তা নকৰে। আৰু ঠিকেই, তাৰ ছাব-মেচিনগানটো ওপৰলৈ উঠিল। মই পোনে পোনে তাৰ চকুলৈ চালোঁ আৰু মুখেৰে একো নামাতিলোঁ। কিন্তু, কৰ্পৰেলেই নে আন কিবাই, তাতকৈ বয়সীয়া আৰু দেখাত বুঢ়া যেন লগা আন এটাই চিঞৰি কিবা ক'লে আৰু আগবঢ়োক একাষলৈ ঠেলি দি মোৰ সমুখলৈ আহিল। সি তাৰ ভাষাতে কিবা বেলবেলাই মোৰ সোঁ কিলাকুটিটো মোটোকাই দি মোৰ মাংসপেশীত হাত দিলে। সি মোৰ মাংসপেশী ছুই চাই 'অ'-ই-ই' বুলি এটা শব্দ কৰিলে আৰু ৰাস্তাটোৰ সিপাৰে বেলি ডুব যোৱা ফালে দেখুৱাই কিবা নিৰ্দেশ দিলে। তাৰ অৰ্থ হয়তো এনেকুৱা: 'যা, অ'ই খচ্চৰটো, আমাৰ 'ৰাইখ'ৰ কাৰণে কাম কৰিবি।' সেই কুকুৰৰ পোৱালিটো মিতব্যয়ী ধৰণৰ আছিল।

'কিন্তু ক'লা-চুলীয়াটোৱে মোৰ বুট জোতাযোৰলৈ চকু দিলে, জোতাযোৰ বে'ছ মজবুত যেন দেখা গৈছিল। সেই কাৰণে সি হাতেৰে সংকেত দিলে, 'সেইযোৰ সোলোকাই দে।' মই মাটিত বহি পৰিলোঁ আৰু জোতাযোৰ সোলোকাই তাক দি দিলোঁ। সি মোৰ হাতৰপৰা থাপ মৰাদি জোতাযোৰ ল'লে। সেই কাৰণে মই ভৰিত মেৰিয়াই লোৱা কাপোৰডোখৰো খুলি লৈ তাৰ ফালে আগ বঢ়াই দিলোঁ। কিন্তু সি চিঞৰি উঠিল, কিবা গালি-শপনিও পাৰিলে আৰু আকৌ তাৰ মেচিনগানটো ওপৰলৈ উঠিল। বাকীকেইটাই মাত্ৰ গিৰ্জনি মাৰি হাঁহিলে। আৰু এই দৰে সিহঁত গুচি গ'ল। মাত্ৰ ক'লা-চুলীয়াটোৱেহে, ৰাস্তা পোৱালৈকে মোলৈ তিনিবাৰ ঘূৰি ঘূৰি চাইছিল আৰু তাৰ চকু দুটা খঙৰ ভমকত কুকুৰনেচীয়া বাঘ পোৱালিৰ চকুৰ দৰে তিৰবিৰাই উঠিছিল। মানুহে কব মইহে যেন তাৰ জোতাযোৰ সোলোকাই ল'লোঁ, সি মোৰ যোৰ লোৱা নাই।

'পিছে, দোস্ত, সেইবোৰ একো কথা নহয়। মই ৰাস্তাৰ ওপৰলৈ উঠিলোঁ, যিমান পাৰোঁ সিমান দীঘলীয়া আৰু তীব্ৰ ভৰ'নেজী শাও-শপনি দি পশ্চিম-মুৰা হৈ খোজ পেলালোঁ — এটা যুদ্ধ বন্দী হৈ! কিন্তু তেতিয়া মোৰ ভালদৰে খোজ কঢ়া অৱস্থা নাছিল। ঘণ্টাত এক কিলোমিটাৰমানহে যাব পাৰিছিলোঁ। গাটো মদ খাই নিচা লগাৰ দৰে হৈছিল। আপুনি হয়তো পোনে পোনেই যাব খুজিব কিন্তু কিহবাই আপোনাক বাটৰ এফালৰপৰা আনফাললৈ ঠেলি পঠিয়াব। মই অলপ দূৰ গৈছিলোঁহে মাথোন, এনেতে মই থকা ডিভিজনটোৰ বন্দী হোৱা সৈন্যৰ দল এটা মোৰ লগ লাগিলহি। তেওঁলোকক প্ৰায় দহোটামান জাৰ্মান ছাব-মেচিনগানধাৰী সৈনিকে পহৰা দি আহিছিল। সেই পহৰাদাৰী দলটোৰ আগত অহা চিপাহীটো মোৰ ওচৰলৈ আহিল আৰু একো নোকোৱা-নেমেলাকৈ তাৰ ছাব-মেচিনগানটোৰে মোৰ মূৰত খুন্দিয়াই দিলে। মই পৰি যোৱা হ'লে সি মোক সেইপিনে এজাঁই গুলীৰে মাটিৰ লগত শালি পেলালেহেঁতেন। কিন্তু আমাৰ লগৰ কেইজনে মই পৰি যাব খোজোঁতে মোক থাপ মাৰি ধৰিলে আৰু প্ৰায় দাং-দোলাকৈয়ে তেওঁলোকৰ মাজলৈ লৈ গ'ল। যেতিয়া মোৰ গালৈ তত আহিল, তেতিয়া তেওঁলোকৰ এজনে ফুচ্‌ফুচাই ক'লে; 'ঈশ্বৰৰ শপত; মাটিত পৰি নাযাবা কিন্তু; গাত অকণমান শক্তি থকালৈকে গৈ থাকিবা, নহলে সিহঁতে গুলিয়াই দিব!' আৰু যদিও মোৰ গাত বল-শক্তি নোহোৱা হৈ পৰিছিল তথাপি মই কোনোমতে গৈ আছিলোঁ।

'বেলি পৰাৰ লগে লগে জাৰ্মানবিলাকে পহৰাদাৰীৰ

সংখ্যা বঢ়াই দিলে, লৰী এখনত আৰু কুৰিটা মেচিনগান-ধাৰী আনিলে আৰু আমাক যিমান পাৰে তীব্ৰ গতিৰে খেদাই নিবলৈ ধৰিলে। বেয়াকৈ আহত হোৱাবিলাকে বাকীবিলাকৰ লগত যাব পৰা নাছিল আৰু ৰাস্তাতে সিহঁতক গুলী কৰি মাৰি থৈ গৈছিল। আমাৰ লগৰ দুটাই পলাবলৈ যত্ন কৰিছিল, কিন্তু সিহঁতে পাহৰি গৈছিল যে জোনাক নিশা মুকলিত এমাইললৈকে দেখা পোৱা যাব; স্বাভাৱিকতে সিহঁতো গুলীত মৰিল। মাজ-নিশা আমি আধা-পোৰা গাওঁ এখন পালোঁগৈ। সিহঁতে আমাক গীৰ্জা এটালৈ লৈ গ'ল; গীৰ্জাৰ চূড়াটো ভাগি পৰিছিল। আমি শিলৰ মজিয়াতে পৰি ৰাতিটো কটাব লগা হ'ল। তাত খেৰ এডালো নাছিল, আমাৰ কাৰো গাত 'গ্ৰেটকোট'তো নাছিলেই, আমাৰ আটাইবোৰেই ইউনিফৰ্মৰ চোলা পিন্ধি আছিলোঁ, মাথো সেই কাৰণে পাৰি শুবলৈ একো নাছিল। আমাৰ কেইটামানৰ ইউনিফৰ্ম চোলাও আনকি নাছিল। তলত পিন্ধা কপাহী সূতাৰ চোলাহে আছিল। সিহঁত আছিল প্ৰধানকৈ এন. চি. অ.'। সিহঁতে ইউনিফৰ্ম সোলোকাই লৈছিল, সেই কাৰণে পদ-মৰ্য্যাদাৰ ফালৰপৰা সিহঁত কোন ধৰিব পৰা নগৈছিল। আৰু গোলন্দাজ বাহিনীৰ সৈনিকবোৰৰো ইউনিফৰ্ম নাছিল। সিহঁতে কামানত আধা নাঙঠ অৱস্থাৰে কাম কৰি থাকোঁতেই বন্দী হ'ব লগা হৈছিল।

'সেই নিশা বৰষুণ পৰিছিল আৰু আমি আটাইমখা তিতি জুপজুপীয়া হৈছিলোঁ। ঘৰৰ চালৰ এটুকুৰা, প্ৰচণ্ড গোলা নাইবা বোমাই উৰুৱাই নিছিল, বাকীডোখৰ

স্নাপনেলে বিদ্ধা কৰি পেলাইছিল; বেদীৰ ওপৰতো অকণো শুকান ঠাই নাছিল। আৰু আমি এইদৰে, ভেড়া ছাগলীয়ে আন্ধাৰ গড়ালত কটোৰাৰ দৰে সেই গীৰ্জাটোতে গোটেই নিশাটো কটাই দিলোঁ। ৰাতি মাজতে কোনোবাই মোৰ বাহুত ধৰা যেন গম পালোঁ। তেওঁ কৈছিল, 'কমৰেড আপোনাৰ জখম হৈছে নেকি?' মই ক'লোঁ, 'কিয় সুধিলে, বন্ধু?' 'মই ডাক্তৰ, হয়তো আপোনাক কিবা সহায় কৰিব পাৰোঁ।' মই তেওঁক ক'লোঁ, মোৰ বাওঁ কান্ধখনৰপৰা কিচ্‌কিচ শব্দ ওলাইছে আৰু গোটেইখন উখহি উঠিছে আৰু ভয়ানক বিষ হৈছে। তেওঁ দৃঢ়ভাৱে ক'লে, 'ইউনিফৰ্ম ছাৰ্ট আৰু তলৰ চোলাটো খুলি পেলাওক।' মই দুয়োটা খুলি পেলালোঁ আৰু তেওঁ লাহি আঙুলিকেইটাৰে মোৰ কান্ধখনৰ ওচৰত পিটিকিবলৈ আৰম্ভ কৰিলে আৰু ই মোক বাৰুকৈয়ে আঘাত দিলে। বিষত মই দাঁত কামুৰি তেওঁক ক'লোঁ, 'আপুনি নিশ্চয় গৰু-ডাক্তৰ হ'ব লাগিব, মানুহৰ ডাক্তৰ নহয়। মোৰ আঘাত লগা ঠাইডোখৰতে আপুনি কিয় হেঁচি আছে, হৃদয়হীন চয়তান ক'ৰবাৰ!' কিন্তু তেওঁ কিবা বিচাৰি হেঁচা দিয়েই থাকিলে আৰু খঙেৰেই মোক ক'লে, 'আপোনাৰ কাম হৈছে মুখখন বন্ধ কৰি ৰখা! মোক তেনেকৈ কৈছে! অলপ ৰ'ব, এক মিনিটতে আৰু বিষ হ'ব।' আৰু তাৰ পাছত তেওঁ মোৰ হাতখনত ধৰি এনেদৰে মোচোকাই দিলে যে মোৰ চকুৰেদি জুই আঙনি বাহিৰ হৈ গ'ল।

'যেতিয়া মই সংজ্ঞা ঘূৰাই পালোঁ, মই তেওঁক সুধিলোঁ, 'তুমি কি কৰিছা, ফেচিষ্ট পাষণ্ড, মোৰ বাহুটো ভাগি টুকুৰা-টুকুৰ হৈছে আৰু তুমি তাতে সেইদৰে টান

মাৰিছা।' মই তেওঁক চেপা হাঁহি এটা মৰা যেন শুনিছিলোঁ, তাৰ পাছত তেওঁ ক'লে, 'মই ভাবিছিলোঁ, সেইদৰে টান মাৰোঁতে আপুনি কিজানি সোঁ হাতেৰে ঘোচাহে মাৰিব, কিন্তু দেখা গ'ল আপুনি এজন শান্ত মেজাজৰ মানুহ। আপোনাৰ হাতখন ভগা নাছিল, মাত্ৰ জোৰা সুলকিছিল আৰু মই খাঁজত আকৌ বহুৱাই দিলোঁ। বাৰু, এতিয়া আগতকৈ ভাল পাইছে নে?' আৰু সঁচাকৈ বিষটো আঁতৰি যোৱা যেন অনুভৱ কৰিলোঁ। মই হিয়া উবুৰিয়াই তেওঁক ধন্যবাদ জনালোঁ আৰু তেওঁ আন্ধাৰতে আঁতৰি গ'ল আৰু সৰু মাতেৰে সুধিলে, 'কোনোবা আহত আৰু আছে নে?' সেইজন আছিল আচল ডাক্তৰ। সেই দৰে বন্ধ হৈ থকা অৱস্থাতে, ঘোপ মৰা আন্ধাৰতো তেওঁ নিজৰ মহান কাৰ্য্য কৰি গৈছিল।

'সেইটো আছিল এটা জিৰণি নোহোৱা ৰাতি। আমাক দুজন দুজনকৈ গীৰ্জাঘৰটোৰ ভিতৰলৈ সুমুৱাই নিওঁতে জ্যেষ্ঠ পহৰাদাৰটোৱে কৈছিল যে সিহঁতে আমাক শৌচ-প্ৰস্ৰাৱ কৰিবলৈকো বাহিৰলৈ যাবলৈ নিদিয়ে। আৰু ভাগ্যৰ এনে ফেৰ যে আমাৰ মাজত থকা খৃষ্টান এজনৰ বাহিৰ-ফুৰা লাগিল। তেওঁ সহি-সামৰি আছিল যদিও শেষত কান্দিবলৈ ধৰিলে, 'মই ধৰ্মৰ স্থানখন অপবিত্ৰ কৰিব নোৱাৰোঁ! মই ধৰ্মভীৰু মানুহ, মই খৃষ্টান, মই এতিয়া কৰোঁ কি, ল'ৰাহঁত?' আৰু আপুনিতো জানেই আমি কেনেকুৱা ল'ৰা। কেইটামানে হাঁহি খিকিন্দালি কৰিলে, কেইটামানে শাও-শপনি দিলে, আৰু আন কেইটামানে তেওঁক 'উপদেশ দি' ইতিকিং কৰিবলৈ ধৰিলে। দুখৰ মাজতো তেওঁ আমাক আনন্দ দিলে

ঠিকেই, কিন্তু শেষত কথা বেয়াৰ ফালে ঢাল খালে। তেওঁ দুৱাৰত ঢাকিয়াই তেওঁক বাহিৰলৈ যাবলৈ দিব লাগে বুলি ক'লে। আৰু সেই অনুৰোধৰ উত্তৰ তেওঁ পালে। ফেচিষ্ট এটাই তাৰ ছাব-মেচিনগানটোৰে দুৱাৰৰ ফাঁকেদি গুলী চলালে, খৃষ্টানজন আৰু তেওঁৰ লগতে আৰু তিনিজন মৰিল। আন এজন এনে বেয়াকৈ আহত হ'ল যে ৰাতিপুৱালৈ তেওঁও সিফলীয়া হ'ল।

'আমি শকেইটা চুক এটালৈ টানি থৈ চুপচাপ হৈ বহি ৰ'লোঁ আৰু মনে মনে ভাবিলোঁ আৰম্ভণিটো উৎসাহজনক নহয়। ইয়াৰ মাজতে আমি ফুচ্‌ফুচাই কথা পতা আৰম্ভ কৰিছিলোঁ, ইজনে সিজনক সুধিছিলোঁ কোন ক'ৰপৰা আহিছে আৰু কোন কেনেকৈ বন্দী হ'ল। একেটা প্লেটুন বা একেটা কোম্পানীতে থকা যিকেইজন বন্দী হৈছিল তেওঁলোকে আন্ধাৰতে ইজনে সিজনক মাতিবলৈ ধৰিছিল। মোৰ কাষতে দুজনে কথা পতা শুনিবলৈ পালোঁ। এজনে কৈছিল, 'কাইলৈ সিহঁতে যদি আমাক আন ঠাইলৈ নিয়াৰ আগতে শাৰী পতাই লৈ কমিছাৰ, কমিউনিষ্ট আৰু ইহুদীৰ বিচাৰ লয়, তেন্তে তুমি লুকাই থাকিবলৈ চেষ্টা নকৰিবা, প্লেটুন কমাণ্ডাৰ। তুমি সেইদৰে সাৰি যাব নোৱাৰিবা। তুমি ভাবিছাঁ যে ইউনিফৰ্ম চোলাটো সোলোকাই লৈছাঁ কাৰণেই সাধাৰণ সৈনিক বুলি সাৰি যাব পাৰিবা। বুজিছাঁ, সেইদৰে চকুত ধূলি দিব নোৱাৰাঁ। তোমাৰ কাৰণে মই কষ্ট ভুগিব নোৱাৰোঁ। ময়ে প্ৰথমে তোমাক দেখুৱাই দিম। মই জানোঁ তুমি এটা কমিউনিষ্ট। তুমি মোক পাৰ্টিত যোগ দিয়াবলৈ কেনেকৈ চেষ্টা কৰিছিলাঁ মোৰ মনত আছে। এতিয়া তুমি তাৰ কৈফিয়ৎ

দিব লাগিব।' মোৰ একেবাৰে কাষতে বাওঁহাতে থকাটোৰে সেইদৰে কৈছিল আৰু তাৰ সিফালৰপৰা ডেকা ল'ৰাৰ মাত এটাই উত্তৰ দিছিল, 'মই সদায় সন্দেহ কৰিছিলোঁ ক্ৰিজনেভ, তুমি এটা অসৎ প্ৰকৃতিৰ মানুহ। তুমি নিৰক্ষৰ বুলি যেতিয়া পাৰ্টিত যোগ দিবলৈ অসন্মত হৈছিলা তেতিয়াই বিশেষকৈ মই বুজি পাইছিলোঁ। কিন্তু তুমি যে এটা বিশ্বাসঘাতক হৈ পৰিবা সেই কথা ভাবিব পৰা নাছিলোঁ। তুমি চৈধ্য বছৰলৈকে স্কুলত পঢ়া নাছিলাঁনে?' আনটোৰে অলসভাৱে উত্তৰ দিছিল, 'ওঁ, পঢ়িছিলোঁ। তাতে কি হ'ল?' তেওঁলোক বহুত পৰ মনে মনে আছিল, আৰু তাৰ পাছত প্লেটুন কমাণ্ডাৰে — মই মাতৰপৰা তেওঁক ধৰিব পাৰিছিলোঁ — কোমল সুৰত কৈছিল, 'মোক ধৰাই নিদিবা, কমৰেড ক্ৰিজনেভ', আৰু আনটোৰে অনুচ্চ স্বৰে হাঁহি মাৰিছিল। 'তুমি তোমাৰ কমৰেডসকলক ৰণক্ষেত্ৰৰ সিপাৰে এৰি থৈ আহিছাঁ,' সি কৈছিল, 'মই তোমাৰ কমৰেড নহয়, সেই কাৰণে মোৰ ওচৰত খাটনি নধৰিবা। মই তোমাক দেখুৱাই দিমেই দিম। মই জানোঁ নিজৰ জান বচাব লাগে।'

'তেওঁলোকে কথা-বতৰা বন্ধ কৰিলে আৰু এনে নীচ কামৰ কথা শুনি মোৰ গোটেই গা কঁপিবলৈ ধৰিলে। 'ওহোঁ, নহ'ব,' মই নিজে নিজে ভাবিলোঁ, 'মই তোক কমাণ্ডাৰৰ লগত বিশ্বাসঘাতকতা কৰিবলৈ এৰি নিদিওঁ, কুকুৰ-পোৱালি। তই নিজৰ দুই ভৰিত ভৰ দি এই গীৰ্জাৰপৰা ওলাই যাবলৈ নাপাৱ, সিহঁতে তোক ঠেঙত ধৰি টানি বাহিৰলৈ উলিয়াব।' তেতিয়া অলপ অলপ পোহৰ পৰিবলৈ ধৰিছিল। মই দেখিবলৈ পালোঁ বহল

প্ৰৈঠ মুখৰ মানুহ এটা হাত দুখনত মূৰ দি ওপৰলৈ মুকৈ পৰি আছে আৰু তাৰ ওচৰতে থকা অলপ ভোটা নাকৰ ডেকা ল'ৰা এটা, বনিয়নটো মাত্ৰ পিন্ধি, আঁঠু দুটা হাতেৰে ধৰি বহি আছে। তাক শে'তা পৰা যেন দেখা গৈছিল। মই ভাবিলোঁ: 'সেই ল'ৰাটোৰে এই নোদোকা খাহীটোক চম্ভালিব নোৱাৰিব। তাক মই নিজেই খতম কৰিব লাগিব।'

'মই ডেকা ল'ৰাটোৰ বাহুত ধৰি ফুচ্‌ফুচাই সুধিলোঁ, 'তুমি প্লেটুন কমাণ্ডাৰ?' তেওঁ মুখেৰে একো নকলে, মাত্ৰ মূৰ দুপিয়ালে। 'সৌ তাত থকাটোৰে তোমাক ধৰাই দিব খুজিছে?' মই ওপৰলৈ মুকৈ পৰি থকা মানুহটোলৈ আঙুলিয়াই দেখুৱালোঁ। তেওঁ আকৌ মূৰ দুপিয়ালে। 'ঠিক আছে,' মই কলোঁ, 'তাৰ ভৰি দুটাত ধৰিবা যাতে সি গুৰিয়াব নোৱাৰে। কিন্তু তৎক্ষণাৎ ধৰিবা।' আৰু মই জাপ মাৰি তাৰ ওপৰত পৰিলোঁ আৰু তাৰ ডিঙিটোত দুই হাতেৰে চেপি ধৰিলোঁ। চিঞৰিবলৈ সি সময়কে নাপালে। মই কেইমিনিটমান সেইদৰে ধৰি থকাৰ পাছত খামোচটো ঢিলাই দিলোঁ। এটা বিশ্বাসঘাতক কমিল, তাৰ জিভাখন বাহিৰ ওলাই আহিছিল।

'ইয়াৰ পাছত মোৰ মনলৈ অতি বেয়া ভাৱ এটা আহিছিল আৰু মোৰ হাত দুখন ধুই পেলাবলৈ মন গৈছিল, মই ভয়ংকৰ কাম এটা কৰিলোঁ, মই যেন এটা মানুহ মৰা নাছিলোঁ, বগাই অহা সাপ এটাহে মাৰিলোঁ... মোৰ জীৱনত এয়াই প্ৰথম মানুহ মাৰিলোঁ, তাকো আকৌ আমাৰ নিজৰে মানুহ। আমাৰ নিজৰ? কিন্তু সি তেনে ধৰণৰ নাছিল। সি শত্ৰুতকৈও অধম আছিল, সি আছিল

বিশ্বাসঘাতক। মই থিয় হলোঁ আৰু প্লেটুন কমাণ্ডাৰজনক ক'লোঁ, 'ইয়াৰপৰা আন ঠাইলৈ যাওঁ ব'লা, কমৰেড, গীৰ্জাটো যথেষ্ট ডাঙৰ।'

'ক্রিজনেভে কোৱাৰ দৰেই ৰাতিপুৱা আমাক আটাই-বোৰকে গীৰ্জাৰ বাহিৰত শাৰীত থিয় কৰালে, ছাব-মেচিনগানধাৰীয়ে আমাক চাৰিওফালে বেৰি ৰাখিলে আৰু তিনিটা এছ. এছ. অফিচাৰে আমাৰ মাজৰ যিকেইটাক বিপদজনক বুলি ভাবিলে সেইকেইটাক উলিয়াই আনিলে। সিহঁতে কোন কমিউনিষ্ট, কোন অফিচাৰ, কোন কমিছাৰ সুধিলে, কিন্তু কাকো উলিয়াব নোৱাৰিলে। সেইবোৰ গোমৰ ফাঁক কৰি দিয়া 'চুৰৰ'ও সিহঁতে আমাৰ মাজত বিচাৰি নাপালে, কাৰণ আমি আধাখিনিয়েই আছিলোঁ কমিউনিষ্ট, কেইবাজনো অফিচাৰ আৰু কমিছাৰো আমাৰ মাজত আছিল। দুশৰো বেছি মানুহৰ মাজৰপৰা সিহঁতে চাৰিজনকহে বাছি উলিয়ালে। এজন ইহুদী আৰু তিনিজন ৰুছ, সাধাৰণ সৈনিকৰ মাজৰে। ৰুছকেইজনৰ বিপদ হ'ল — তেওঁলোক কেউজনেই আছিল ক'লা আৰু কেঁকোৰা চুলীয়া। এছ. এছ.-ৰ মানুহকেইটা সিহঁতৰ ওচৰলৈ আহি ক'লে, 'জুডে?' সিহঁতে সেইদৰে সোধাত এজনে কৈছিল যে তেওঁ ৰুছ, কিন্তু সিহঁতে কি শুনিব। 'এইফালে ওলাই আহ!' আৰু বচ্‌, সিমানতে খতম।

'সিহঁতে বেচেৰা কেউটাকে গুলী কৰি মাৰিলে আৰু আমাক আগলৈ লৈ গ'ল। সেই বিশ্বাসঘাতকটোক টেঁটু চেপি মাৰোঁতে মোক সহায় কৰা প্লেটুন কমাণ্ডাৰজন পোজনানলৈকে মোৰ লগে লগে আছিল। এই পদযাত্ৰাৰ প্ৰথম দিনা মাজে মাজে তেওঁ মোৰ ওচৰলৈ আহি মোৰ

হাতত ধৰিছিল। পোজনানত আমি লগ এৰা-এৰি হলোঁ। ঘটনাটো ঘটিল এইদৰে।

'আপুনিতো জানেই দোস্ত, মই ধৰা পৰা দিনৰপৰা কেনেকৈ পলাই সাৰোঁ তাৰ চিন্তা কৰিছিলোঁ। কিন্তু তাকে সুনিশ্চিত কৰিবলৈ বিচাৰিছিলোঁ। পোজনানলৈকে গোটেই বাটছোৱাত পলাই সাৰিবলৈ মই উপযুক্ত সুযোগ পোৱা নাছিলোঁ। তাত সিহঁতে আমাক ভাল শিবিৰত ৰাখিছিল। কিন্তু পোজনান শিবিৰত মই যি বিচাৰিছিলোঁ তাকে যেন পাই গলোঁ। মে' মাহৰ শেষত সিহঁতে আমাক ওচৰৰে সৰু হাবি এখনলৈ উলিয়াই লৈ গৈছিল; শিবিৰত মৰা বন্দীবিলাকক পুতিবৰ কাৰণে আমাক কবৰ খান্দিবলৈ লগাইছিল, সেই সময়ত গ্ৰহণীত ভুগি আমাৰ লগৰ বহুত মৰিল। পিছে পোজনানৰ মাটি খান্দি থাকোঁতে মই চাৰিওফালে চালোঁ আৰু লক্ষ্য কৰিলোঁ যে পহৰাদাৰ দুটাই কিবা খাবলৈ বহিছে, তৃতীয়টোৱে ৰ'দ পুৱাই টোপনি গৈছে। মই মাটি খন্দা বেল্‌চাখন লাহেকৈ থৈ চুপচাপ জোপা এটাৰ আঁৰ ললোঁ। আৰু তাৰ পাছত ঠিক বেলিটো ওলোৱাৰ পোনে পোনে লৰ ধৰিলোঁ।

সেই পহৰাদাৰকেইটাই মোলৈ লক্ষ্যাই কৰা নাছিল। শুকাই খীণাই চেপেটা লাগিছিলোঁ যদিও এদিনতে প্ৰায় চল্লিছ কিলোমিটাৰ বাট যাবলৈ মই গাত ক'ৰপৰা বল পালোঁ কব পৰা নাছিলোঁ। মই নিজকে চিনি নোপোৱা হৈছিলোঁ। কিন্তু তাৰপৰা একো লাভ নহ'ল। অভিশপ্ত শিবিৰটোৰপৰা বহুত দূৰ গৈ পোৱাৰ পাছত চতুৰ্থ দিনা সিহঁতে মোক ধৰিলে। সিহঁতে মোৰ খোজত ব্লাডহাউণ্ড

কুকুৰ লগাইছিল আৰু য-ধান খেতিৰ পথাৰ এখনত ধৰা পেলালে।

'কাহিলি পুৱাতে মই মুকলি পথাৰ এখন পাইছিলোঁগৈ; দিনৰ পোহৰত পথাৰখন পাৰ হ'বলৈ মই ভয় কৰিছিলোঁ; হাবিখন পাবলৈ অন্ততঃ আৰু তিনি কিলোমিটাৰ বাট আছিল, সেই কাৰণে মই য-ধান গছবোৰৰ মাজতে পৰি আছিলোঁ। মই তাৰ ছে'ই কিছুমান হাততে ভাঙি জেপত সুমুৱাই লৈছিলোঁ, এনেতে কুকুৰৰ ভুকভুকনি আৰু মটৰ-চাইকেলৰ গৰ্জন শুনিবলৈ পালোঁ। মোৰ বুকুখন ধপ্‌ধপাবলৈ ধৰিলে, কাৰণ কুকুৰবোৰ ওচৰ চাপি আহিছিল। মই উবুৰি খাই পৰি মূৰটো হাত দুখনেৰে ঢাকি ধৰিছিলোঁ যাতে সিহঁতে মোৰ মুখখনত কামুৰিব নোৱাৰে। পিছে, সিহঁত আহি পালেহিয়েই আৰু এক মিনিটৰ ভিতৰতে মোৰ গাৰপৰা ফটা কাপোৰ কেইডোখৰ টানি-আজুৰি নোহোৱা কৰিলে। জন্মতে যিদৰে আহিছিলোঁ সেইদৰে মই নাঙঠ হৈ পৰিলোঁ। সিহঁতে মোক ধান গছবোৰৰ মাজত টানি-চোঁচৰাই যি ইচ্ছা তাকে কৰিবলৈ ধৰিছিল আৰু শেষত মস্ত কুকুৰ এটাই মোৰ বুকুত তাৰ আগ-ঠেং দুটা দি মোৰ ডিঙিত ধৰোঁ ধৰোঁ কৰিছিল, কিন্তু পোনে পোনে কামোৰ দিয়া নাছিল।

'মটৰ-চাইকেলেৰে দুটা জাৰ্মান আহি পালেহি। প্ৰথমতে সিহঁতে মোক ভালদৰে লাঠি-গোৰ শোধালে; তাৰ পাছত কুকুৰকেইটা আকৌ লগাই দিলে, আৰু টুকুৰা-টুকুৰ হৈ মোৰ গাৰ মাংস এৰাই গ'ল। নাঙঠ আৰু তেজেৰে লুতুৰি-পুতুৰি হৈ থকা অৱস্থাতে সিহঁতে মোক শিবিৰলৈ ঘূৰাই নিলে। পলাব খোজাৰ কাৰণে মই এমাহ অকল-

শৰীয়াকৈ থাকিব লগা হ'ল — কিন্তু মই তেতিয়াও জীয়াই থাকিলোঁ... কিবা প্ৰকাৰে মই জীয়াই থাকিবলৈ সক্ষম হলোঁ!

'দোস্ত, বন্দী হিচাপে মই যি অৱস্থাৰ সন্মুখীন হ'ব লগা হৈছিল, তাৰ কথা মনত পৰিলেই ভয় লাগে, আপোনাক কোৱাতো দূৰৰে কথা। সেই জাৰ্মানিত আমি যি অমানুষিক অত্যাচাৰ সহ্য কৰিব লগা হৈছিল, সেই শিবিৰবোৰত আমাৰ লগৰীয়াবোৰক যিদৰে অত্যাচাৰ কৰি বধ কৰা হৈছিল, সেইবোৰ কথালৈ মনত পৰিলে কলিজাটো যেন ওপৰলৈ উঠি আহি ডিঙিত ঢক্ ঢক্ শব্দ কৰিবলৈ লয় আৰু উশাহ লব নোৱৰা হওঁ।

'মই বন্দী হৈ থকা দুবছৰ সিহঁতে আমাক কিদৰে যে ঘূৰাই লৈ ফুৰালে! মোৰ বোধেৰে ইটোৰপৰা সিটো শিবিৰলৈ গৈ মই জাৰ্মানিৰ আধাখিনিয়েই ঘূৰিলোঁ। মই ছেক্সনীত ছিলিকেট কাৰখানা এটাত কাম কৰিছিলোঁ, ৰুৰৰ খনিত কয়লা কাটিছিলোঁ। বেভেৰিয়াত বেল্চা মাৰি কপালৰ ঘাম মাটিত পেলাইছিলোঁ, থুৰিনজেনতো কিছু দিন থাকিলোঁ। কণা গোঁসায়েহে কব পাৰে জাৰ্মানিৰ ক'ত মই ফুৰা নাছিলোঁ। প্ৰাকৃতিক দৃশ্য বহুতো বেলেগ বেলেগ দেখিলোঁ, কিন্তু সিহঁতে আমাৰ লগৰীয়াবোৰক গুলী কৰা, পটা-পিহন দিয়া পদ্ধতিটো সকলো ঠাইতে একে আছিল। সেই পাষণ্ড জহৰামখাই আমাক যিদৰে মৰিয়াইছিল, আমাৰ ইয়াত মানুহে গৰু-ঘোঁৰাকো সেই দৰে নমৰিয়ায়। ঘোচা, গোৰ, ৰবৰৰ লাঠিৰে মাৰ দিয়া, হাতত লো-শিল যি পায় তাকে গালৈ দলিয়াই দিয়াটো সাধাৰণ কথা আছিল, ৰাইফেলৰ কুন্দা আৰু টোকোনৰ কোবৰ কথাতো ক'বই নালাগে।

'সিহঁতে আপোনাক মাৰকিল কৰিব মাত্ৰ এই কাৰণেই যে আপুনি ৰুছ, আপুনি যে পৃথিৱীত এতিয়াও জীয়াই আছে, আৰু আপুনি যে তেওঁলোকৰ কাৰণে কাম কৰিছে। আপুনি যদি সিহঁতলৈ বেয়াকৈ চায়, সিহঁতে বিচৰা মতে যদি খোজ নেপেলায় তেনেহলে জগৰ লাগিব আৰু আপোনাক মাৰকিল কৰিব। ...সিহঁতে এনেদৰে মাৰপিট কৰিব যেন এদিন আপোনাৰ প্ৰাণবায়ু উৰি যায়। মোৰ বোধেৰে আমাৰ গোটেইমখাকে সুমুৱাই দি পুৰি মাৰিবলৈ সমগ্ৰ জাৰ্মানিত যথেষ্ট পৰিমাণৰ জালী-গাঁত নাছিল।

'আৰু আমি য'লৈকে গৈছিলোঁ তাতে একে ধৰণৰ খাদ্যকে দিছিল: আধাখিনি কাঠৰ গুড়ি থকা ডেৰশ গ্ৰামৰ 'এৰছাৎচ' (বদলি) ৰুটি আৰু গাহৰিয়ে খোৱা ছুইডেনৰ চালগোমৰ পাতল টুকুৰা এটা। কিছুমান ঠাইত খাবলৈ গৰম পানী দিছিল, কিছুমানত দিয়া নাছিল। কিন্তু সেইবোৰ কৈ লাভ কি। নিজেই বিচাৰ কৰি চাওক। যুদ্ধ আৰম্ভ হোৱাৰ আগতে মোৰ ওজন আছিল ছয়াশী কিলোগ্ৰাম আৰু শৰৎকাল পোৱালৈকে পঞ্চাছৰ বেছি নোহোৱা হ'ল। বাকী থাকিলগৈ হাড়কেইডাল আৰু ছালখন। হাড়কেইডাল টানি লৈ ফুৰিবলৈ বলো নোহোৱা হ'ল। কিন্তু আপুনি কাম কৰি যাব লাগিব, মুখেৰে এটাও শব্দ উচ্চাৰণ কৰিব নোৱাৰে, আৰু আমি যি কাম কৰোঁ, কেতিয়াবা গাড়ী-টনা ঘোঁৰায়ো সিমানখিনি নকৰে বুলি মই ডাঠি কব পাৰোঁ।

'ছেপ্টেম্বৰৰ আৰম্ভণিতে সিহঁতে আমাৰ ছোভিয়েত

যুদ্ধ বন্দীৰ এশ বিয়াল্লিছজনক কুষ্ট্রিনৰ ওচৰৰ শিবিৰ এটাৰপৰা, ড্রেজডেনৰ অদূৰত থকা বি-১৪ শিবিৰলৈ পঠালে। সেই সময়ত সেইটো শিবিৰত প্রায় দুহেজাৰ যুদ্ধ-বন্দী আছিল। আমি আটাইবোৰে এটা শিল খনিত কাম কৰিছিলোঁ। হাতেৰে সিহঁতৰ জাৰ্মান শিল কাটিছিলোঁ, ভাঙি দিছিলোঁ। নিৰ্ধাৰিত ভাগ আছিল জনমূৰি দিনে চাৰি ঘনমিটাৰ, কথাটো মন কৰিব, কোনো মতে জীৱটো লৈ থকা এজন মানুহৰ কাৰণে এইটো হ'ল কামৰ নিৰিখ। আৰু তাৰ পাছত হ'ব লগাটোৱেই হ'ল। দুমাহৰ পাছত আমাৰ দলটোৰ এশ বিয়াল্লিছজন মানুহৰ সাতাৱনজনহে বাকী থাকিলগৈ। ঘটনাটো কেনেকুৱা হ'ল বাৰু? ভয়ংকৰ বিধৰ নহয় নে? আমাৰ মৃত লগৰীয়াবোৰক পুতি থবলৈকো আমাৰ সময় নোহোৱা হৈছিল আৰু সেই সময়তে শিবিৰত উৰা-বাতৰি ওলাইছিল যে জাৰ্মানহঁতে স্তালিনগ্রাদ অধিকাৰ কৰিলে আৰু ছাইবেৰিয়াৰ ফালে আগ বাঢ়ি গৈছে। সেইটো ভূতৰ ওপৰতে দানহ পৰাৰ দৰে হ'ল — এটাৰ পাছত আন এটা বেদনা — সিহঁতে আমাক এনেদৰে তলত ৰাখিলে যে আমি মাটিৰপৰা ওপৰলৈ চকু তুলি চাব নোৱৰা হলোঁ। আৰু প্রতি দিনেই শিবিৰৰ ৰখীয়াবিলাকে মদ-পানী খাই, গান বাজনা কৰি যিমান পাৰে আনন্দ কৰিবলৈ ধৰিলে।

'এদিন গধূলি আমি কামৰপৰা জুপুৰীলৈ ঘূৰি আহিছিলোঁ। সেইদিনা ওৰে দিনটো বৰষুণ দিছিল আৰু আমাৰ ফটা-ছিটা কাপোৰ-কানিকেইডোখৰ তেনেই ভিজি গৈছিল; আমি গোটেইমখা চেঁচা বতাহত কঁপিবলৈ ধৰিছিলোঁ আৰু জাৰত আমাৰ দাঁতে দাঁতে লাগি গৈছিল।

অকণো শুকান বা গৰম ঠাই নাছিল আৰু শুৱিবলৈ লোৱাৰ দৰে, হয়তো তাতকৈ বেছিকৈহে আমাৰ ভোক লাগিছিল, কিন্তু সন্ধ্যা আমাক কেতিয়াও খাবলৈ নিদিছিল।

'বুইছে, মই বৰষুণত ভিজা মোৰ ফটা-ছিটা কাপোৰ-কেইডোখৰ শোৱা তক্তাখনৰ ওপৰত দলিয়াই দিলোঁ আৰু ক'লোঁ, 'সিহঁতে তোমালোকক দিনে চাৰি ঘনমিটাৰ কাটিবলৈ দিছে, কিন্তু আমাৰ এটাক পুতিবলৈ এক ঘনমিটাৰেই যথেষ্ট।' মই সিমানকে মাত্র কৈছিলোঁ, কিন্তু আপুনি বিশ্বাস কৰিব নে আমাৰ মাজৰে কেলেহুৱা কুকুৰ এটাই কেম্প কমাণ্ডেণ্টৰ ওচৰলৈ গৈ মই তিক্ত-বিৰক্ত হৈ কোৱা কথাখিনি তাক লগাই দিলেগৈ।

'কেম্প কমাণ্ডেণ্ট বা সিহঁতে কোৱাৰ দৰে 'লেজাৰ-ফিউৰাৰ'টো আছিল মুলাৰ নামৰ জাৰ্মান এটা। বৰ ওখ নহয়, গাঁঠলু, চুলিবোৰ এসোপা শণ সূতাৰ দৰে; গোটেইখন পকি বগা পৰিছে। তাৰ মূৰৰ চুলি, চকুৰ চেলাউৰি আনকি চকুকেইটাৰ ৰঙো আছিল ঢেলা আৰু মানুহটো টেলেকা চকুৰাও আছিল। আপোনাৰ মোৰ দৰে ৰুছ ভাষা কৈছিল, উচ্চাৰণত ভলগা অঞ্চলৰ ঠেও আছিল, যেন সেই অঞ্চলতে সি উপজিছে আৰু ডাঙৰ-দীঘল হৈছে। আৰু গালি-শপনি পৰাত! সেই ক্ষেত্রত মানুহটো আছিল এক আতংক। মই কেতিয়াবা ভাবি আচৰিত হৈছিলোঁ — এই জহৰাটোৱে এই বৃত্তিটো ক'ৰপৰা শিকিলে। সি আমাক ব্লকৰ আগত — সিহঁতে জুপুৰী-বোৰক সেই নাম দিছিল — শাৰী পতাই ল'ব আৰু তাৰ এছ. এছ. সৈনিককেইটা লগত লৈ, সোঁহাতখন পিছফালে

দি আমাক চাই যাব। সি চামৰাৰ হাত-মোজা পিন্ধিছিল আৰু আঙুলিকেইটা ৰক্ষা কৰিবলৈ চামৰাৰ তলত সীহৰ টুকুৰা এটা লগাই লৈছিল। সি শাৰীৰ আগেদি পাৰ হৈ যাব আৰু আন সকলোৱে নাক তেজেৰে ৰাঙলী হৈ পৰিব। সি কৈছিল, 'সেয়া ফ্লু প্রতিষেধক টীকা'। আৰু, দৈনিক এইবোৰ চলি থাকে। শিবিৰটোত মুঠতে চাৰিটা ব্লক আছিল। সি এদিন প্ৰথমটোত, তাৰ পাছ দিনা দ্বিতীয়টোত — এইদৰে এটাৰ পাছত এটাত তাৰ 'টীকা দিয়া' কাম চলাই থাকে। সেই জাৰজটো আছিল নিয়মীয়া — এদিনো তাৰ কামত খতি নহয়। মূৰ্খটোৱে এটা কথা বুজি নাপাইছিল; সি তাৰ 'ৰাউন্ড' আৰম্ভ কৰাৰ আগতে সমুখৰ এঠাইত থিয় হৈ লৈ গালি-শপনি পাৰিবলৈ আৰম্ভ কৰিব, যেন তাৰ কাম কৰিবলৈ গাত বল বান্ধিহে লয়। সি থিয় হৈ তাৰ শক্তিয়ে কুলায় মানে গালি পাৰিব, আপুনি জানে নে, সেয়ে আমাৰ মনবোৰ অলপ ভালহে লগাইছিল। শব্দবোৰ আমাৰ নিজৰ দৰে লাগিছিল, সেই শব্দবোৰে যেন সিফালৰপৰা এছাটি বতাহ বোৱাই আনিছিল। সি যদি বুজি পালেহেঁতেন যে সি যিবোৰ গালি-শপনি পাৰে সেইবোৰে আমাক আনন্দহে দিয়ে, তেন্তে সি ৰুছ ভাষাত গালি নাপাৰি তাৰ নিজৰ ভাষাতহে পাৰিলেহেঁতেন। আমাৰ মাজৰ এজন মানুহেহে, মোৰ মস্কোৰ বন্ধু এজনেহে তাৰ সেই গালি শুনি বলিয়াৰ দৰে হৈ পৰিছিল। তেওঁ কৈছিল, 'সি যেতিয়া সেইদৰে গালি পাৰে, তেতিয়া মই চকু দুটা মুদি লওঁ আৰু ভাবোঁ মই মস্কোৰ কোনোবা এটা স্থানীয় অঞ্চলত আছোঁ আৰু বিয়েৰ এগিলাছৰ কাৰণে আকলুৱা হৈ পৰোঁ।'

'ঘনমিটাৰৰ বিষয়ে কথাখিনি কোৱাৰ এদিনৰ পাছত সেই কমাণ্ডেণ্টটোৱে মোক কাঠগড়াত তুলিলে। সন্ধ্যা এটা দোভাষী আৰু দুটা পহৰাদাৰ আমাৰ প'জাটোলৈ আহিল। 'ছক'লভ আন্দ্ৰেই?' মই মাত দিলোঁ। 'জল্‌দি, আমাৰ লগত এইমাত্ৰ যাব লাগে, খোদ 'হেৰ্ লেজাৰ-ফিউৰাৰে' তোক বিচাৰিছে। মই অনুমানতে ধৰিলোঁ, সি মোক কিয় বিচাৰিছে। এইবাৰ মোক খতম কৰিব। সেই কাৰণে মই লগৰীয়াসকলৰপৰা বিদায় ল'লোঁ, তেওঁলোকেও বুজিলে যে মই মৃত্যুৰ মুখলৈ আগ বাঢ়ি গৈছোঁ। মই এটা দীঘল উশাহ লৈ পহৰাদাৰকেইটাৰ পাছ ললোঁ। শিবিৰৰ চোতালখন পাৰ হৈ যাওঁতে মই আকাশৰ তৰাবোৰলৈ চাইছিলোঁ আৰু সিহঁতৰপৰাও বিদায় লৈছিলোঁ। মনে মনে ভাবিছিলোঁ: ৩৩১ নম্বৰৰ আন্দ্ৰেই ছক'লভ, তই পুৰা মাত্ৰাই পাব লগা নিৰ্য্যাতনখিনি পালি। তথাপিও ইৰিনা আৰু ল'ৰা-ছোৱালীকেইটাৰ কাৰণে মোৰ দুখ লাগিছিল। পিছে সেই দুখৰ কথা পাহৰি মই মনত সাহস গোটাবলৈ আৰম্ভ কৰিলোঁ, যাতে এজন সৈনিকৰ দৰে মই অকণো ভয় নোখোৱাকৈ সেই পিষ্টলৰ নলটোৰ আগত থিয় দিব পাৰোঁ আৰু এই জীৱনটোৰপৰা বিচ্ছিন্ন হ'বলৈ শেষ মুহূৰ্তত মোৰ কাৰণে কিমান কঠিন হ'ব, তাক শত্ৰুৱে একো গম ধৰিব নোৱাৰিব।...

'কমাণ্ডেণ্টৰ কোঠাটোৰ খিৰিকিৰ তলৰ কাঠত ফুল থোৱা হৈছিল; কোঠাটো আমাৰ ক্লাব-ঘৰ একোটাৰ দৰেই পৰিষ্কাৰ-পৰিচ্ছন্ন আছিল। টেবুলৰ কাষত শিবিৰৰ আটাইবোৰ অফিচাৰ উপস্থিত আছিল। সিহঁতৰ পাঁচোটাই

বহি লৈ 'স্নাপছ'* গলাধঃকৰণ কৰিছিল আৰু 'বেকন' (শুকান গাহৰিৰ মঙহ) চৰ্বি চোবাই আছিল। টেবুলত ডাঙৰ বটল এটা খোলা হৈ আছিল; ৰুটী, বেকন চৰ্বি, আচাৰৰ আপেল, বিবিধ ধৰণৰ খোলা টিন ভৰি আছিল। মই সেই খোৱাবস্তুবোৰলৈ এবাৰ চকু দিলোঁ, কিন্তু আপুনি হয়তো বিশ্বাস নকৰিব, সেইবোৰ দেখি মোৰ এনে বেয়া লাগিল যে মোৰ বমি ওলাওঁ ওলাওঁ যেন হ'ল। আপুনি জানে, কুকুৰনেচীয়া বাঘ এটাৰ দৰেই মই ভোকত কলমলাই আছিলোঁ, আৰু মানুহৰ খাদ্য কেনেকুৱা তাৰ দৃশ্যতো মই পাহৰিয়ে গৈছিলোঁ আৰু এতিয়া সেই গোটেইবোৰ বস্তু মোৰ আগতে দেখিবলৈ পালোঁ। মই কোনোমতে মোৰ এই অসুস্থ ভাৱটো দমন কৰি ৰাখিলোঁ, কিন্তু সেই টেবুলখনৰপৰা মোৰ চকু দুটা আঁতৰ কৰিবলৈ বিৰাট কষ্ট কৰিব লগা হ'ল।

'মোৰ ঠিক সমুখতে বহি আছিল মুলাৰ, মদ খাই টং, পিষ্টলটো ইহাতৰপৰা সিহাতলৈ লৈ ধেমালি কৰি আছিল আৰু সাপ এটাৰ দৰে মোলৈ একেথৰে চাই আছিল। মই সাৱধান অৱস্থাত থিয় দিলোঁ, ফাট মেলা গোৰোহা দুটা লগ লগাই খটক্‌কৈ শব্দ কৰি, মাতটো ডাঙৰকৈ উলিয়াই তলত দিয়া দৰে ৰিপৰ্ট কৰিলোঁ, 'হেৰ্ কমাণ্ডেণ্ট, আপোনাৰ তলব মতে যুদ্ধ-বন্দী আন্দ্ৰেই ছক'লভ হাজিৰ।' আৰু সি মোক ক'লে, 'অ'ই, ৰুছ ইভান, কোৰেবীত চাৰি ঘনমিটাৰৰ কাম তোৰ কাৰণে অতি বেছি হৈছে, নহয়?' মই ক'লোঁ, 'হয়, হেৰ্ কমাণ্ডেণ্ট, বেছি হৈছে।' 'আৰু তোৰ কবৰটো কৰিবৰ কাৰণে এক ঘনমিটাৰেই যথেষ্ট?' 'হয়, হেৰ্ কমাণ্ডেণ্ট, যথেষ্ট আৰু থাকিহে যাব।'

'সি থিয় হ'ল আৰু ক'লে, 'মই তোক এটা ডাঙৰ সন্মান দিম, তোৰ সেই কথাকেইটাৰ কাৰণে তোক মই নিজেই গুলীয়াই মাৰিম। ইয়াত গোটেইখন লেটিপেটি হৈ পৰিব, সেই কাৰণে বাহিৰৰ চোতাললৈ ব'ল, তাতে তোৰ নাম কটাব পাৰিবি।' 'আপুনি যি ভাল দেখে,' মই কলোঁ। সি থিয় দি এক মিনিটমান কিবা ভাবিলে, তাৰ পাছত তাৰ পিষ্টলটো টেবুললৈ দলিয়াই দি পুৰা এগিলাচ স্নাপ্‌ছ বাকিলে, ৰুটীৰ টুকুৰা এটা ল'লে আৰু তাৰ ওপৰত চৰ্বি এডোখৰ দি গোটেইখিনি মোৰ ফালে আগ বঢ়াই দিলে আৰু ক'লে, 'ৰুছ ইভান, মৰাৰ আগতে জাৰ্মান বাহিনীৰ বিজয় কামনা কৰি এইখিনি খাই ল।'

'মই মদৰ গিলাচটো আৰু ৰুটীডোখৰ তাৰ হাতৰপৰা লবই খুজিছিলোঁ, কিন্তু যেতিয়া তাৰ মুখত সেই শব্দকেইটা শুনিলোঁ, তেতিয়া কিবা এটাই মোৰ অন্তৰত পোৰণি তোলা যেন লাগিল। 'মই! ৰুছ সৈনিক এটাই জাৰ্মান সৈন্যৰ বিজয়ৰ কামনাৰে সুৰাপান কৰিম?' মই চিন্তা কৰিলোঁ। 'ইয়াৰ পাছত তুমি কি বিচাৰিবা হেৰ্ কমাণ্ডেণ্ট? তুমি তোমাৰ স্নাপছ লৈ জহন্নামলৈ যোৱা।'

'মই গিলাচটো আৰু তাৰ লগতে ৰুটী টুকুৰা টেবুলৰ ওপৰত থলোঁ আৰু ক'লোঁ, 'আপোনাৰ আতিথ্যৰ বাবে ধন্যবাদ, কিন্তু মই মদ নাখাওঁ।' সি মিচিকিয়াই হাঁহিলে। 'তেনেহলে তই আমাৰ বিজয় কামনা কৰি পান কৰিব নোখোজ? সেয়ে হ'লে তোৰ মৃত্যুৰ কাৰণেই খাই ল।'

* হলেণ্ডৰ জিন (মদ)। — অনুঃ

মোৰ নো হেৰুৱাৰ লগা কি আছিল? মই ক'লোঁ, 'তেন্তে, মোৰ মৃত্যুৰ কাৰণে আৰু সকলোখিনি নির্য্যাতনৰপৰা ৰেহাই পোৱাৰ কাৰণে।' আৰু কথাখিনি কৈ মই গিলাচটো হাতত ল'লোঁ আৰু বস্তুখিনি ডিঙিত ঢালি দি দুই ঢোকতে শেষ কৰি পেলালোঁ। কিন্তু ৰুটীডোখৰ হাতেৰেই নুছুলোঁ। মই নম্রভাৱে হাতেৰে ওঁঠ দুটা মোহাৰি ল'লোঁ আৰু ক'লোঁ, 'আপোনাৰ আতিথি সৎকাৰৰ বাবে ধন্যবাদ জনাইছোঁ, হেৰ্ কমাণ্ডেণ্ট, মই সাজু হৈছোঁ, আপুনি মোক এতিয়া শেষ কৰিব পাৰে।'

'কিন্তু সি মোৰ ফালে তীক্ষ্ন দৃষ্টিৰে চালে আৰু ক'লে, 'মৰাৰ আগতে ৰুটী একামোৰ মাৰি ল।' সেই কাৰণে মই ক'লোঁ, 'মই প্ৰথম গিলাচৰ পাছতে নাখাওঁ।' তেতিয়া সি আৰু এগিলাচ মদ ঢালিলে আৰু মোৰ হাতত তুলি দিলে। মই দ্বিতীয় গিলাচ মদ খালোঁ কিন্তু ৰুটী নুছুলোঁ। বুজিছে, মই সাহ কৰিয়েই এইবোৰ কৰিছিলোঁ। মই ভাবিছিলোঁ মই মৰিবলৈ চোতাললৈ যোৱাৰ আগতে নিচাত একো ক'ব নোৱৰা হৈ যাম। আৰু কমাণ্ডেণ্টৰ চকুৰ চেলাউঁৰি থিয় হ'ল। 'হেৰ' ৰুছ ইভান, তই নাখাৱ কিয়? লাজ নকৰিবি!' কিন্তু মই খোপনি নেৰিলোঁ, 'মাফ কৰিব, হেৰ্ কমাণ্ডেণ্ট, মই দুগিলাচৰ পাছতো একো নাখাওঁ।' সি গাল দুখন ফুলাই নিশ্বাস এৰিলে আৰু ঘোঁটঘোঁট শব্দ কৰিলে। আৰু তাৰ পাছত অট্টহাস্য কৰি উঠিল। হাঁহিৰ মাজতে সি জার্মান ভাষাত খৰকৈ কিবা কলে, বোধহয় মোৰ কথাখিনি তর্জমা কৰি তাৰ বন্ধুবোৰক বুজাই দিলে। আন কেইটায়ো গিৰ্জনি মাৰি হাঁহিলে আৰু চকী পাচলৈ ঠেলি দি সমুখৰপৰা মস্ত 'মাগ'বোৰ

আঁতৰাই মোৰ ফালে চালে, আৰু মই সিহঁতৰ চকুত বেলেগ, কিছু পৰিমাণে কোমল চাৱনি যেন দেখিবলৈ পালোঁ।

'কমাণ্ডেণ্টে মোৰ কাৰণে তৃতীয় গিলাচ মদ ঢালোঁতে তাৰ হাত দুখন হাঁহিত কঁপি আছিল। মই সেই গিলাচ মদ লাহে লাহে খালোঁ, ৰুটীটোৰ এটুকুৰা ভাঙি লৈ মুখত দিলোঁ আৰু বাকীডোখৰ আকৌ টেবুলৰ ওপৰত থৈ দিলোঁ। মই সেই জাৰজমখাক দেখুৱাব খুজিছিলোঁ যে ভোকত মোৰ প্ৰাণ যায় যায় যেন হৈছিল যদিও সিহঁতে দলিয়াই দিয়া এৰেহা ৰুটীডোখৰেৰে মই ডিঙিত সোপা দিব খোজা নাই, মোৰ নিজৰ ৰুছ মর্য্যাদা আৰু গৌৰৱ আছে, সিহঁতে বিচাৰিছে যদিও মোক জন্তুত পৰিণত কৰিব পৰা নাই।

'ইয়াৰ পাছত কমাণ্ডেণ্টৰ মুখত এটা গম্ভীৰ ভাৱ দেখা গ'ল, সি তাৰ বুকুত আঁৰি লোৱা লোৰ ক্ৰছ দুডাল চিধা কৰি ল'লে আৰু একো অস্ত্ৰশস্ত্ৰ নোলোৱাকৈ টেবুলৰ সিফালৰপৰা ওলাই আহি ক'লে, 'দেখ, ছক'লভ, তই আচল ৰুছ সৈনিক। তই এটা ভাল সৈন্য। ময়ো এজন সৈনিক আৰু মই যোগ্য শত্ৰুক সন্মান দেখুৱাওঁ। মই তোক গুলী কৰি নামাৰোঁ। আৰু এটা কথা যে আজি আমাৰ সাহসী সৈন্য বাহিনীয়ে ভল্গা নদী পাইছেগৈ আৰু সম্পূৰ্ণৰূপে স্তালিনগ্ৰাদৰ দখল লৈছে। ই আমাৰ কাৰণে অতি আনন্দৰ কথা, আৰু সেই কাৰণে মই অনুগ্ৰহ দেখুৱাই তোক জীৱন দান দিলোঁ। ব্লকলৈ যা আৰু তোৰ সাহসৰ কাৰণে এইটো লৈ যা।' আৰু সি মোৰ হাতত

অকণমান ৰুটী এটা আৰু বেকন চৰ্বি এটুকুৰা গুঁজি দিলে।

'মই ৰুটীটো যিমান পাৰোঁ জোৰেৰে বুকুত সাবটি ধৰিলোঁ আৰু বাওঁ হাতেৰে চৰ্বি টুকুৰা তুলি ললোঁ। ভাবিব নোৱাৰাকৈ ঘটনাৰ সোঁত এইদৰে বদলি যোৱাত মই ইমান আচৰিত হৈ পৰিছিলোঁ যে মই আনকি ধন্যবাদো নজনালোঁ, মাত্ৰ বাওঁফালে একে পাকেই ঘূৰি দুৱাৰৰ ফালে গলোঁ। এইখিনি সময়ত মই ভাবিছিলোঁ, এতিয়াই সি মোৰ দুই কান্ধৰ মাজেৰে গুলীয়াই মোক শেষ কৰি দিব আৰু খোৱা-বস্তু কেইপদ লৈ মই মোৰ লগৰীয়াহঁতৰ ওচৰ নাপামগৈ। কিন্তু, নাই একো নহ'ল। আকৌ মৃত্যু মোৰ কাষেদি পাৰ হৈ গ'ল আৰু মই মাত্ৰ ইয়াৰ চেঁচা নিশ্বাসটোহে অনুভৱ কৰিলোঁ।

'কমাণ্ডেণ্টৰ কোঠাৰপৰা মই ঢলং-পলং নকৰাকৈয়ে ওলাই আহিছিলোঁ। কিন্তু বাহিৰত মই ঢলি ঢলি যাবলৈ ধৰিলোঁ। শেষত অসহায়ভাৱে জুপুৰীটোত সোমালোঁগৈ আৰু চিমেণ্টৰ মজিয়াখনত লাং খাই পৰি অচেতন হৈ গলোঁ। লগৰ ল'ৰাহঁতে জগাই দিওঁতে তেতিয়াও আন্ধাৰ হৈয়ে আছিল। 'আমাক কোৱাঁচোন, কি হ'ল!' কমাণ্ডেণ্টৰ কোঠাত কি ঘটিছিল তেতিয়াহে মোৰ মনত পৰিল আৰু সিহঁতক সকলো ক'লোঁ। মোৰ কাষৰ তক্তাখনত থকাজনে সুধিলে, 'খোৱা বস্তুখিনি আমি এতিয়া কেনেকৈ ভগাম?' আৰু তেওঁৰ মাতটো কঁপিছিল। 'চবে সমান সমান পাব,' মই কলোঁ। আমি পোহৰ হোৱালৈ অপেক্ষা কৰিলোঁ। সূতা এটুকুৰা উলিয়াই আমি ৰুটীটো আৰু চৰ্বি টুকুৰা কাটিলোঁ। আমাৰ প্ৰত্যেকেই জুইশলা বাহটোৰ সমান

একো টুকুৰা ৰুটী পালোঁ, তাৰ এটুকুৰাও অপচয় নহ'ল আৰু চৰ্বিখিনি? ওঁঠ তেলেতীয়া কৰিব পৰাকৈহে প্ৰত্যেকৰ ভাগত চৰ্বি পৰিল। কিন্তু আমি সকলোৱে বস্তু দুপদ সমানে ভগাই খালোঁ।

'সিহঁতে, ইয়াৰ পাছতে আমাৰ মাজৰ প্ৰায় তিনিশজন বলী মানুহক পিটনি এডোখৰ সিঁচিবলৈ লগালে। তাৰ পাছত আমি খনিত কাম কৰিবলৈ ৰুবলৈ গলোঁগৈ। আৰু তাতে মই চৌবাল্লিছ চনলৈকে থাকিলোঁ। সেই সময়ৰ ভিতৰত আমাৰ ল'ৰাহঁতে জাৰ্মানবিলাকক এসেকা দিছিল আৰু ফেচিষ্টহঁতে আমাক, বন্দীবিলাকক ঘৃণাৰ চকুৰে চাবলৈ এৰি দিছিল। এদিন সিহঁতে দিনৰ খেপৰ আমাৰ আটাইবোৰকে শাৰী পাতিবলৈ দিলে আৰু কোনোবা এটা পৰিদৰ্শনকাৰী অ'বাৰলেফটেনাণ্টে এটা দোভাষীৰ যোগেদি ক'লে, 'সৈন্য বাহিনীত থাকোঁতে নাইবা যুদ্ধৰ আগতে যি মটৰ গাড়ীৰ চালক হিচাপে কাম কৰিছিল, তেওঁলোক এখোজ আগলৈ ওলাই আহাঁ।' আগতে ড্ৰাইভাৰ কাম কৰা আমাৰ সাতজনমান আগলৈ ওলাই আহিলোঁ। সিহঁতে আমাক কিছু পুৰণা পেণ্ট-কামিজ দিলে আৰু পহৰা দি পটছডামলৈ লৈ গ'ল। সেইখিনি গৈ পোৱাৰ পাছত আকৌ আমাক ভাগ ভাগ কৰি দিলে। মোক 'টোড'ত কাম কৰিবলৈ পঠালে। ৰাস্তা বনোৱা আৰু প্ৰতিৰক্ষাৰ কাম কৰা সংগঠনটোক জাৰ্মানবোৰে সেই বুলিয়েই কৈছিল।

'মই 'অ'পেল-এডমিৰেল' এখনত ইঞ্জিনিয়াৰ জাৰ্মান মেজৰ এজনক ঘূৰাব লগা হৈছিল। আপুনি যদি ভাল পায় কব লাগিব যে সেইটো আছিল এটা ফেচিষ্ট বৰা-

গাহৰি! বাহিৰলৈ ওলোৱা পেটটোৰে চুটি চাপৰ মানুহটো ওখই যিমান পথালিয়েও সিমান আৰু তাৰ পিঠিফালটো আছিল যিকোনো বেশ্যাৰ বহল পিছভাগৰ নিচিনা। সমুখৰ ফালে তাৰ কলাৰৰপৰা তিনিটা থুতৰি ওলমি পৰিছিল আৰু পিছৰ ফালে ডিঙিত তিনিটা তৰপীয়া ভাঁজ আছিল। মোৰ ধাৰণা মতে সি কমেও এক হন্ডৰ (১১২ পাউন্ড) চৰ্বি তাৰ গাত লৈ ফুৰিছিল। সি যেতিয়া খোজ কাঢ়ে, ভাপ ইঞ্জিন এটাৰ দৰে ফোঁচফোঁচাই যায় আৰু যেতিয়া সি খাবলৈ বহে তেতিয়া কোঢ়ামুঠীয়া হৈ লাগে! সি গোটেই দিনটোৰেই কিবা নহয় কিবা এটা চোবাই থাকিব আৰু ব্ৰান্ডীৰ ফ্লাস্কটোৰপৰা এঢোক এঢোক মাৰি থাকিব। মাজে মাজে কেতিয়াবা ময়ো অলপ ভাগ পাওঁ। সি হয়তো বাটতে ৰ'ব। ছছেজ আৰু ছীজ কাটি লব আৰু মদ এসোপা খাই লব; আৰু তাৰ মেজাজ যেতিয়া ভালে থাকে, তেতিয়া কুকুৰক দিয়াৰ দৰে মোলৈ এটুকুৰা দলিয়াই দিব। সি কিন্তু কোনো দিনেই মোক হাতে হাতে বস্তু নিদিছিল, ইয়াক সি তাৰ মান যোৱা কথা বুলি ভাবিছিল। কিন্তু সি যিয়ে নহওক, শিবিৰৰ লগত ইয়াৰ তুলনা নহয়, মই লাহে লাহে মানুহমুৰা হৈছিলোঁ, আনকি মোৰ ওজনো বাঢ়িবলৈ ধৰিছিল।

'প্ৰায় দুসপ্তাহ ধৰি মেজৰক মই পটছডাম আৰু বাৰ্লিনৰ মাজত অনা-নিয়া কৰিলোঁ। তাৰ পাছত আমাৰ সৈন্য বাহিনীৰ বিৰুদ্ধে প্ৰতিৰক্ষা বেহু নিৰ্মাণ কৰিবলৈ তেওঁক ৰণক্ষেত্ৰৰ অগ্ৰৱৰ্তী অঞ্চললৈ পঠোৱা হ'ল। আৰু তেতিয়াৰপৰা ৰাতি মোৰ চকুত টোপনি নোহোৱা হ'ল।

মই নিজৰ মানুহৰ মাজলৈ, নিজৰ দেশলৈ কেনেকৈ পলাই সাৰিব পাৰোঁ তাকে সদায় নিশা ভাবিবলৈ ধৰিলোঁ।

'আমি পলংস্ক্ নামৰ সৰু নগৰখনলৈ গৈছিলোঁ। ধল-পুৰাতে দুবছৰৰ মূৰত সেই প্ৰথমবাৰ আমাৰ কামানৰ গৰ্জন শুনিবলৈ পালোঁ। আৰু আপুনিতো বুজিবই পাৰিছে সেই শব্দত মোৰ মনটো কেনেকৈ নাচি উঠিছিল। বুজিছে দোস্ত, ইবিনাৰে সৈতে মই পোন প্ৰথমে প্ৰেমৰ কথা-বাৰ্তা আৰম্ভ কৰোঁতেও মোৰ বুকুখন সেই দৰে ধপ্‌ধপোৱা নাছিল। পলংস্কৰ পূবফালে প্ৰায় ওঠৰ কিলোমিটাৰমান দূৰত যুদ্ধ চলিছিল। নগৰখনত থকা জাৰ্মানবোৰ নবক-বাসৰ দৰে মৰ্মাহত হৈ পৰিছিল, সিহঁতে এই যাওঁ, এই যাওঁ লগাইছিল আৰু মোৰ বুঢ়া পেটালে আগতকৈ বেছিকৈ মদ খাবলৈ ধৰিছিল। দিনৰ ভাগত সি গাড়ীত উঠি ইফালে-সিফালে ঘূৰিব আৰু কেনেকৈ গড় বান্ধিব লাগিব তাৰ বুধি-পৰামৰ্শ দিব আৰু ৰাতি হলে অকলে অকলে বহি মদ খাব। তাৰ বাদু ওলমি পৰিছিল আৰু চকুৰ তল ডাঙৰ ডাঙৰ মোনাৰ দৰে উখহি উঠিছিল।

'জানে, মই ভাবিলোঁ এয়ে মোৰ সুযোগ আৰু বৈ থকাৰ সকাম নাই। পিছে মই অকলে নাযাওঁ, এই বুঢ়া পেটুৰাটোক লগত লৈ যাব লাগিব, সিটো পাৰে ই কামত আহিব!'

'ধ্বংসাৱশেষ কিছুমানৰ মাজত মই গধুৰ লোহা এটুকুৰা পালোঁ আৰু তাৰ চাৰিওফালে ফটাকানি এডোখৰ মেৰিয়াই ল'লোঁ, যাতে মই যদি সেই লোহা টুকুৰাৰে তাক মাৰিয়াব লগা হয় তেন্তে তেজ নোলায়; বাটতে পাই

টেলিফোনৰ তাঁৰ এটুকুৰাও খুটলি ললোঁ আৰু এইদৰে মোৰ আটাই কেইপদ দৰকাৰী বস্তু সংগ্ৰহ কৰিলোঁ আৰু গোটেইখিনি আগফালৰ 'ছিটৰ' তলত লুকুৱাই ৰাখিলোঁ। জাৰ্মানহ'তৰপৰা বিদায় লোৱাৰ দুদিনৰ আগতে এদিন গধূলি মই পেট্ৰল ভৰোৱা ষ্টেচনৰপৰা উভতি আহি আছিলোঁ, এনেতে দেখিলোঁ জাৰ্মান উণ্টাৰ এটাই মদ খাই বেহুঁচ হৈ চলংপলংকৈ আহি বেৰা এখনত গবা মাৰি ধৰিছেহি। মই গাড়ী ৰখালোঁ আৰু তাক ওচৰৰে ভাগি যোৱা ঘৰ এটালৈ নি তাৰ ইউনিফৰ্মটো আৰু মূৰৰ টুপীটোও হস্তগত কৰিলোঁ। তাৰ পাছত এইখিনি বস্তুও 'ছিটৰ' তলত সুমুৱাই ললোঁ আৰু মই সাজু হৈ উঠিলোঁ।

'২৯ জুনৰ দিনা ৰাতিপুৱা মোৰ মেজৰে নগৰৰপৰা বাহিৰলৈ গ্ৰহনিংছাৰ ফালে তেওঁক লৈ যাবলৈ মোক হুকুম দিলে। তাত নিৰ্মাণ কৰি থকা প্ৰতিৰক্ষাৰ কাম কিছুমানৰ তেওঁ তদাৰক কৰিছিল। আমি যাত্ৰা আৰম্ভ কৰিলোঁ। পিছৰ ছিটত বহি মেজৰে শান্তিৰে ঘুমটি মাৰিছিল আৰু মই আগফালে, কলিজাটো মুখেদি যেন বাজ হৈ যাবলৈ চেষ্টা কৰি থকা অৱস্থাত বহি গৈছিলোঁ। গাড়ী বেগাই চলাইছিলোঁ যদিও নগৰ পাৰ হৈ যোৱাৰ পাছত গতি ধীৰ কৰি দিলোঁ আৰু এঠাইত ৰখাই লৈ গাড়ীৰপৰা ওলাই ইফালে-সিফালে চালোঁ; বহুত দূৰত পিছ ফালৰপৰা দুখন লৰী ধীৰ গতিৰে আহি আছিল। মই লোহা টুকুৰা উলিয়াই ললোঁ আৰু দুৱাৰখন বহলকৈ মেলি দিলোঁ। পিছৰ ছিটত বুঢ়া পেটাল ধোবাং দি পৰি আছিল; নাকেৰে ঘোৰ্ঘোৰণি তুলিছিল, যেন সি

ঘৈণীয়েকৰ লগতহে শুই আছে। মই লোহাটুকুৰাৰে তাৰ বাওঁফালৰ কুমতে খুন্দা দিলোঁ। তাৰ মূৰটো বুকুৰ ফালে ওলমি পৰিল। নিশ্চিন্ত হবৰ কাৰণে আৰু এটা কোব দিলোঁ, কিন্তু তাক মই মাৰি পেলাব নুখুজিলোঁ। মই তাক জীয়াই জীয়াই সিটো পাৰলৈ নিবলৈ বিচাৰিছিলোঁ, কাৰণ তাৰপৰা আমাৰ ল'ৰাহ'তে বহুতো কথা জানিব পাৰিব। সেই কাৰণে মই তাৰ পিষ্টল ৰখা চামৰাৰ খাপৰপৰা বস্তুটো উলিয়াই লৈ মোৰ জেপত ভৰাই ললোঁ। তাৰ পিছত মই পিছৰ ছিটৰ তলফালে 'ব্ৰেকেট' এটা লগাই দি মেজৰৰ ডিঙিৰ চাৰিওফালে টেলিফোনৰ তাঁৰডাল মেৰিয়াই নি সেই ব্ৰেকেটটোত বান্ধি দিলোঁ। মই বেগাই গাড়ী চলালে সি যাতে ইফালে সিফালে লুটি খাই নপৰে, তাৰ কাৰণেই তেনে কৰিছিলোঁ। মই জাৰ্মান ইউনিফৰ্ম আৰু টুপীটো পিন্ধি ললোঁ আৰু যি ঠাইত যুদ্ধ চলিছে, য'ত মাটিৰ ঘৰ্ ঘৰ্ শব্দ হৈ আছে তালৈ পোনে পোনে গাড়ী চলাই দিলোঁ।

'মই জাৰ্মান অগ্ৰৱৰ্তী ৰণাঙ্গন ৰেখাৰ দুটা পিল বক্সৰ মাজেদি সৰকি গলোঁ। খান্দি লোৱা গাঁত এটাৰপৰা ছাব-মেচিনগানধাৰীৰ দল এটাই মূৰ উলিয়াই চাইছিল আৰু মই ইচ্ছা কৰিয়েই গাড়ীৰ গতি কমাই দিছিলোঁ যাতে সিহঁতে দেখিবলৈ পায় যে মোৰ গাড়ীত এজন মেজৰ আছে। সিহঁতে চিঞৰিবলৈ আৰম্ভ কৰিছিল আৰু হাত জোকাৰি মোক দেখুৱাইছিল যে মই আৰু আগলৈ যাব নালাগে। কিন্তু মই বুজি নোপোৱাৰ ভাও ধৰি আশী কি. মি.-ৰ গতিত গাড়ী চলাই দিলোঁ। ঘটনাটো কি

চিহ'তে তর্ক'ৰ পৰাৰ আৰু গুলী চলোৱাৰ আগতে মই নিৰপেক্ষ একেকাত সোমাই পৰিছিলোঁ।

'মোলৈ জার্মানবিলাকে তো পিছফালৰপৰা গুলী চলাইছিলেই, আমাৰ নিজৰ সৈন্যয়ো হিংস্র ৰূপ ধাৰণ কৰি সন্মুখৰ ফালৰপৰা 'চুমা' দিবলৈ ধৰিছিল। উইণ্ড স্ক্রিনেদি চাৰিটা গুলী সোমাল, ৰেডিয়েটৰতো লাগিল। কিন্তু অলপ দূৰতে, হ্রদ এটাৰ কাষত সৰু হাবি এখন মোৰ চকুত পৰিল, মোৰ গাড়ীখনৰ ফালে আমাৰ কেইটামান সৈন্য দৌৰি অহাও মই দেখিবলৈ পালোঁ। সেয়ে মই গাড়ীখন হাবিডোখৰৰ মাজলৈ সুমুৱাই নিলোঁ; দুৱাৰখন খুলি দিলোঁ, আৰু মাটিত দীঘল দি পৰি চুমা খালোঁ। মই উশাহকে লব নোৱৰা হৈ পৰিছিলোঁ।

'ইউনিফর্ম কামিজৰ ওপৰত, মই আগতে দেখিবলৈ নোপোৱা এক প্রকাৰৰ খাকী ফিতা লগাই লোৱা ডেকা ল'ৰা এটা প্রথমতে মোৰ ওচৰ পালেহি আৰু ভেঙুচালিৰ হাঁহি মাৰি ক'লে, 'আহা, 'ফ্রিংছী' চয়তান, বাট হেৰুৱালাঁ হবলা?' মই জার্মান 'টিউনিক'টো গাৰপৰা ফালি এৰুৱাই দি জার্মান টুপীটো মোৰ ভৰিত পেলাই দিলোঁ আৰু তাক ক'লোঁ, 'হেৰা সোণামুৱা, মইনাটি! ভৰ'নেজত উপজি ডাঙৰ-দীঘল হোৱা মই এটা 'ফ্রিংছ' হলোঁ! মই যুদ্ধ-বন্দী আছিলোঁ, চোৱাঁ। বাৰু, এতিয়া সেই গাড়ীখনত বহি থকা নোদোকা বৰা-গাহৰিটোৰ গাঁঠিটো খুলি পেলোৱাঁ, তাৰ ব্রিফ কেছটো লোৱাঁ আৰু তোমাৰ কমাণ্ডাৰৰ ওচৰলৈ তাক লৈ যোৱাঁ।' মই পিষ্টলটো শোধাই দিলোঁ আৰু ইজনৰ পাছত সিজনক দেখা কৰি গৈ গৈ গধূলিলৈ ডিভিজনটোৰ অধিনায়কত্ব কৰা কর্নেলজনৰ আগত ৰিপৰ্ট কৰিব লগা

হ'ল। এইখিনি সময়ৰ ভিতৰতে মোক খাবলৈ দিলে, গা ধোৱা ঘৰলৈ নিলে, জেৰা কৰিলে আৰু এসাজ নতুন ইউনিফর্ম দিলে। সেইদৰে মই, শৰীৰ-মন উভয় দিশৰপৰা পৰিষ্কাৰ হৈ নিয়ম মতে সাজ-পাৰ পিন্ধি, যথাৰীতিৰে কর্নেলৰ মাটিৰ তলৰ আশ্রয় স্থলত উপস্থিত হলোঁগৈ। কর্নেল টেবুলৰপৰা উঠিল আৰু মোৰ ওচৰলৈ আহি সকলো অফিচাৰৰ আগতে মোক আলিঙ্গন কৰিলে আৰু ক'লে, 'ধন্যবাদ, সৈনিক, তুমি আমাৰ কাৰণে যি উপহাৰ আনিলাঁ তাৰ বাবে ধন্যবাদ জনাইছোঁ। তোমাৰ মেজৰ আৰু তেওঁৰ ব্রিফকেছটোৱে আমি ৰণাঙ্গনত ধৰা পেলাৱ পৰা যিকোনো কুৰিটা জার্মানতকৈ বহুত বেছি কথা জনাইছে। মই এটা পদকৰ কাৰণে তোমাৰ নাম অনুমোদন কৰিম।' তেওঁৰ কথা আৰু মৰমখিনিয়ে মোক ইমান অভিভূত কৰিলে যে কঁপি থকা ওঁঠ দুটাক মই সংযত কৰিবই নোৱাৰিলোঁ। মই মাত্র ক'লোঁ, 'কমৰেড কর্নেল, মোক পদাতিক বাহিনী এটাত ভৰ্তি কৰিবলৈ অনুৰোধ জনাওঁ।'

'কিন্তু কর্নেলে হাঁহিলে আৰু মোৰ পিঠিত থপৰিয়ালে। 'তুমি তোমাৰ ভৰিৰ ওপৰত থিয় দিবই নোৱৰা হৈছাঁ, তুমি আকৌ কি সৈনিক হ'বা? মই এই পোনে পোনে তোমাক হাস্পতাললৈ পঠাম। তেওঁলোকে তাতে তোমাৰ জোৰা-তাপলি মাৰিব আৰু পেটৰ ভিতৰলৈ কিছু খাদ্য সুমুৱাই দিব আৰু তাৰ পাছত এমাহৰ ছুটীত তুমি ঘৰৰ পৰিয়ালৰ মাজলৈ যাবা। তাৰপৰা যেতিয়া ঘূৰি আমাৰ ওচৰলৈ আহিবা, তেতিয়া তোমাক ক'ত কামত দিব লাগে আমি বিবেচনা কৰি চাম।'

'কৰ্নেল আৰু তেওঁৰ লগত ভূগৰ্ভস্থ আশ্ৰয় স্থলত থকা আটাইকেইজন বিষয়াই মোৰে সৈতে আন্তৰিকতাৰে কৰমৰ্দন কৰিলে আৰু বিদায় জনালে। মোৰ মূৰটো ঘূৰাবলৈ ধৰিছিল, কাৰণ মই বাহিৰত থকা দুটা বছৰত মানুহে মানুহৰপৰা কেনে ব্যৱহাৰ পায় সেই কথা পাহৰিয়ে গৈছিলোঁ। আপুনি বিশ্বাস কৰিব দোস্ত, ওপৰৱালাৰ লগত কথা পাতোঁতে, মূৰটো কান্ধৰ ফালে মাজে মাজে বেঁকা কৰি দিয়া অভ্যাসটো এৰিবলৈ বহুত দিন লাগিছিল, কাৰণ আঘাত কৰিব বুলি তেতিয়াও মনত ভয় সোমাই আছিল। ফেচিষ্ট শিবিৰবোৰত আমি সেই ধৰণৰে শিক্ষা পাইছিলোঁ...

'হাস্পতাল পায়েই মই ইৰিনালৈ চিঠি এখন লিখিলোঁ। মই কেনেকৈ বন্দী হৈছিলোঁ আৰু কেনেকৈ জাৰ্মান মেজৰ এটাক লৈ পলাই আহিলোঁ, এই গোটেইখিনি কথা থুল-মূলকৈ লিখি তাইক জনালোঁ। ল'ৰালিৰ সেই গৰ্বৰ ভাৱটো মোৰ গালৈ কেনেকৈ আহিছিল ক'ব নোৱাৰোঁ। কিয়, পদক এটাৰ কাৰণে মোৰ নামটো অনুমোদন কৰিব বুলি যে কৰ্নেলে প্ৰতিশ্ৰুতি দিছিল সেই কথাষাৰো আনকি মই নোকোৱাকৈ থাকিব নোৱাৰিলোঁ।...

'দুসপ্তাহ মই মাত্ৰ শুলোঁ আৰু খালোঁ। তেওঁলোকে মোক এবাৰত অলপমানহে খাবলৈ দিছিল কিন্তু তাকে বাৰে বাৰে দিছিল: ডাক্তৰে কৈছিল যে মই খাব খোজা গোটেইবোৰ বস্তু মোক দিয়া হ'লে মই মাটিৰ তললৈহে যাব লগা হ'লহেঁতেন। কিন্তু দুসপ্তাহৰ পাছত খোৱা-বস্তুলৈ মোৰ চাবৰ মন নোযোৱা হ'ল। ঘৰৰপৰা একো উত্তৰ নাপালোঁ, আৰু মই স্বীকাৰ কৰিব লাগিব, মোৰ মনটো

মৰি যাবলৈ ধৰিলে। খোৱাৰ কথা ভাবিব নোৱৰা হলোঁ, টোপনি নধৰা হ'ল আৰু নানা ধৰণৰ বেয়া চিন্তা মূৰটোত সোমাবলৈ ধৰিলে। তৃতীয় সপ্তাহত ভৰ'নেজৰপৰা এখন চিঠি পালোঁ। কিন্তু সেইখন ইৰিনাৰ নহয়, মোৰ চুবুৰীয়া কাঠমিস্ত্ৰী এজনৰ চিঠি আছিল। তেনেকুৱা চিঠি যেন কোনেও নাপায় মই তাকেই কামনা কৰোঁ। তেওঁ লিখিছিল: জাৰ্মানিবিলাকে বিমান কাৰখানাটোত বোমা পেলাইছিল আৰু এটা গধূৰ বোমা মোৰ সৰু ঘৰটিৰ ওপৰতে পোনে পোনে পৰিল। বোমাটো পৰোঁতে ইৰিনা আৰু ছোৱালী দুজনী ঘৰত আছিল... আৰু তেওঁ লিখিছিল যে তেওঁলোকে পাছত সিহঁতৰ একো চিন-মোকাম নাপালে। ঘৰটো থকা ঠাইত এটা দ গাঁতহে থাকিল।...

'প্ৰথমবাৰ মই চিঠিখন পঢ়ি শেষ কৰিব নোৱাৰিলোঁ। মোৰ চকুৰ আগৰ আটাইবোৰ বস্তু আন্ধাৰ হৈ পৰিল আৰু মোৰ কলিজাটো চেপা খাই যেন এটা টান সৰু বল হৈ পৰিল আৰু মই ভাবিলোঁ ই আৰু কেতিয়াও মুকলি নহ'ব। মই বিছনাত শুই পৰিছিলোঁ আৰু অলপ বল পোৱাৰ পাছত চিঠিখন শেষলৈকে পঢ়িলোঁ। মোৰ চুবুৰীয়াজনে লিখিছিল — বোমা পেলোৱাৰ সময়ত আনাতলী নগৰত আছিল। গধূলি সি তাৰ ঘৰ থকা ঠাইকণলৈ গৈছিল, বোমাই কৰা গাঁতটোলৈ চাইছিল আৰু সেই নিশাই নগৰলৈ উভতি গৈছিল। যোৱাৰ আগতে সি মোৰ চুবুৰীয়াজনক কৈ গৈছিল যে সি স্বেচ্ছাৰে ৰণক্ষেত্ৰলৈ যাব। আৰু কথা সিমানেই।

'যেতিয়া মোৰ অন্তৰখন শান্ত হ'ল আৰু মই কাণলৈ তেজ অহাৰ গুমগুমনি শুনিলোঁ তেতিয়া মোৰ মনত

পৰিল ৰেল ষ্টেচনত আমি বিদায় লওঁতে ইঁৰিনাই কেনেকৈ মোৰ গাত সাবটি ধৰিছিল। তাইৰ সেই নাৰী হৃদয়ে নিশ্চয় বুজি পাইছিল যে এই জগতত আমি আৰু পৰস্পৰক দেখিবলৈ নাপাওঁ। আৰু মই তাইক ঠেলা মাৰি দিছিলোঁ... এসময়ত মোৰ এটা পৰিয়াল আছিল, মোৰ নিজৰ এটা ঘৰ আছিল, এই গোটেইবোৰ নিৰ্মাণ কৰিবলৈ বছৰৰ পাছত বছৰ লাগিছিল আৰু এই সকলোবোৰ চকুৰ পলকতে ধূলিসাৎ হৈ গ'ল — মই তেনেই অকলশৰীয়া হৈ পৰিলোঁ। মই ভাবিলোঁ, মোৰ এই বিশৃংখলাপূৰ্ণ জীৱনটো নিশ্চয় এটা সপোন আছিল। কিয়, বন্দী হৈ থাকোঁতে প্ৰায় প্ৰতিটো নিশাই, মনতে অৱশ্যে, মই ইঁৰিনা আৰু ল'ৰা-ছোৱালীকেইটাৰ লগত কথা পাতিছিলোঁ, মই ঘৰলৈ উভতি যাম আৰু সিহঁতে বেজাৰ কৰিব নালাগে বুলি কৈ সিহঁতক উৎসাহ দিছিলোঁ ; মই কৈছিলোঁ মই এলাপেচা মানুহ নহয়। মই এইবোৰ সহ্য কৰিব পাৰোঁ আৰু এদিন আমি আটাইকেউটা আকৌ লগ লাগিম। তেনেহলে দুবছৰ ধৰি মই মৃতকৰ লগতে কথা পাতিলোঁ?'

বয়সীয়া মানুহজন এক মিনিটমান নীৰৱ হৈ পৰিল। তাৰ পাছত তেওঁ জিকাৰ খাই উঠি এটা বেলেগ, শান্ত সুৰত ক'লে, 'অলপ ধপাত হোঁপোঁ, দোস্ত, মোৰ ডিঙিটোত কিবা এটাই সোপা মাৰি ধৰা যেন লাগিছে।'

আমি চিগাৰেট জলালোঁ। পানীৰে উপচি পৰা হাবিতলীয়া ঠাইখন বাঢ়েটোকা চৰাই এটাৰ মাতত জন্‌জনাই উঠিছিল। গৰম বতাহ এজাকে এল্ডাৰ গছৰ শুকান পাতবোৰত তেতিয়াও খৰ্‌খৰণি তুলিছিল, কটকটীয়াকৈ বন্ধা শুকুলা পালৰ তলত থকাৰ দৰে অতি

ওপৰৰ নীলাখিনিৰ মাজত ডাৱৰবোৰ তেতিয়াও ওপঙি ফুৰিছিল, কিন্তু গাম্ভীৰ্য্যপূৰ্ণ নীৰৱতাৰ সেই মুহূৰ্তকেইটাত বসন্তৰ মহান সাৰ্থকতাৰ কাৰণে, জীৱনৰ প্ৰাণময়তাৰ সেই চিৰন্তন স্বীকৃতিৰ কাৰণে প্ৰস্তুত হোৱা সীমাহীন জগতখন মোৰ বাবে সম্পূৰ্ণ সুকীয়া হৈ পৰিছিল।

এইদৰে নীৰৱ হৈ থকাটো মোৰ কাৰণে অতি বিৰক্তিকৰ হৈ উঠিছিল। সেয়ে মই সুধিলোঁ: 'তাৰ পাছত কি হ'ল?'

'তাৰ পাছত কি হ'ল?' সাধু কোৱাজনে অনিচ্ছাৰে সঁহাৰি দিলে। 'তাৰ পাছত মই কৰ্ণেলৰপৰা এমাহৰ বাবে ছুটী পালোঁ আৰু এসপ্তাহৰ পাছতে ভৰ'নেজ পালোঁগৈ। এসময়ত যি ঠাইখনত মই মোৰ পৰিয়ালটো লৈ বাস কৰিছিলোঁ সেই ঠাইলৈ খোজ কাঢ়ি গলোঁ। তাত এটা ডাঙৰ গাঁত হৈছিল আৰু গাঁতটো লেতেৰা পানীৰে ভৰি আছিল। তাৰ চাৰিওফালৰ বন-বাতবোৰ ক'কাললৈকে ওখ হৈছিল। সকলোতে আছিল শূন্যতা আৰু নীৰৱতা, কবৰখানাৰ নিস্তব্ধতা। তেতিয়া মোৰ মনত ভীষণ বেয়া লাগিছিল, মই সঁচাই কৈছোঁ দোস্ত! মই তাতে থিয় দি মোৰ আত্মাটোক এবাৰ বেজাৰ কৰি লোৱাৰ সুযোগ দিলোঁ আৰু তাৰপৰা আকৌ ষ্টেচনলৈ ঘূৰি আহিলোঁ। মই তাত এঘণ্টাও ৰ'ব নোৱৰা হলোঁ আৰু সেই দিনাই ডিভিজনত যোগ দিবলৈ উভতি গলোঁ।

'কিন্তু প্ৰায় তিনি মাহৰ পাছত, ডাৱৰৰ মাজেদি ওলাই অহা এচেৰেঙা ৰ'দৰ দৰে মই হঠাৎ অকণমান আনন্দৰ চিকমিকনি দেখিবলৈ পালোঁ। আনাতলীৰ খবৰ পালোঁ।

আন এক ৰণাঙ্গনৰপৰা সি মোলৈ চিঠি লিখিছিল। মোৰ সেই চুবুৰীয়াজনৰপৰা সি মোৰ ঠিকনাটো সংগ্ৰহ কৰি লৈছিল। দেখা গ'ল সি আৰম্ভনিতে গোলন্দাজ কলেজ এখনত সোমাইছিল; তাৰ গণিতৰ প্ৰতিভাখিনিয়ে তাতো তাক সহায় কৰিলে। এবছৰৰ পাছত সি 'সন্মানেৰে' কলেজৰ পৰীক্ষা পাছ কৰি ৰণক্ষেত্ৰলৈ গ'ল। সি লিখিছিল, সি এতিয়া কেপ্টেইনৰ পদ পাইছে, 'পঞ্চলিছ'টা কামানৰ এটা গোটৰ অধিনায়ক হৈছে, ছটা 'অৰ্ডাৰ' আৰু পদক পাইছে। এক কথাত কবলৈ গ'লে, সি তাৰ বুঢ়া বাপেকক বহুত দূৰ চেৰাই গৈছিল। আৰু মই আকৌ এবাৰ তাৰ কাৰণে প্ৰকৃততে গৰ্ব বোধ কৰিছিলোঁ। আপুনি যিয়েই নকওক, মোৰ নিজৰ ল'ৰাটো এটা কেপ্টেইন আৰু এটা বেটাৰীৰ অধিনায়ক হৈছিল, সেইটো এটা ডাঙৰ কথা! আৰু লগতে সেই সন্মানৰ পদকবোৰ! তাৰ বাপেকে যে কামানৰ গুলী আৰু আন বিভিন্ন বস্তু 'ষ্টুডিবেকাৰ' এখনত কঢ়িয়াই ফুৰে, সেইটো একো কথা নহয়। তাৰ বাপেকৰ দিন গ'ল, কিন্তু সি এটা কেপ্টেইন, তাৰ সমুখত গোটেই-বোৰ পৰি আছে।

'আৰু ৰাতি ৰাতি মই বুঢ়া মানুহৰ নানান সপোন দেখিবলৈ লৈছিলোঁ। যুদ্ধ শেষ হ'লেই মোৰ ল'ৰাটোৰ বিয়াখন পাতি দিম আৰু সিহঁতৰ লগতে থাকিম। মই অলপ-অচৰপ কাঠৰ কাম কৰিম আৰু নাতিহঁতক চোৱা-চিতা কৰিম। বুঢ়া মানুহে কৰিব লগা আটাইবোৰ কাম কৰিম। কিন্তু এই সকলোবোৰ ভ্ৰষ্ট হৈ গ'ল। শীতকালছোৱাত আমি একেৰাহে আগ বাঢ়ি গৈছিলোঁ আৰু পৰস্পৰলৈ ঘনাই চিঠি-পত্ৰ লিখিবলৈ আমাৰ সময়

নাছিল, কিন্তু যুদ্ধ শেষ হ'বৰ সময়ত, বাৰ্লিনৰ ওচৰ পাওঁতে মই এদিন ৰাতিপুৱা আনাতলীলৈ চিঠি এখন পঠাইছিলোঁ আৰু তাৰ পিছ দিনাই উত্তৰ পাইছিলোঁ। জানিব পৰা গ'ল যে সি আৰু মই দুয়োটাই বেলেগ বেলেগ বাটেৰে জাৰ্মান ৰাজধানী পাইছিলোঁহি আৰু পৰস্পৰৰ তেনেই ওচৰ চাপিছিলোঁ। মই তাক লগ পোৱাৰ মুহূৰ্তটোলৈ ৰ'বই নোৱৰা হৈছিলোঁ। আৰু সেইটো মুহূৰ্ত আহিল, জানে... মে' মাহৰ ঠিক ন তাৰিখৰ দিনা, বিজয় দিৱসৰ ৰাতিপুৱাতে, মোৰ আনাতলীক, লুকাই গুলী কৰা জাৰ্মান এটাই বধ কৰিলে।

'আবেলি কম্পেনী কমাণ্ডাৰ এজনৰ ওচৰলৈ মোক মাতি নিয়া হ'ল। মই দেখিলোঁ তেওঁৰ ওচৰত অচিনাকি, গোলন্দাজ বাহিনীৰ বিষয়া এজন বহি আছে। মই কোঠালিটোৰ ভিতৰলৈ সোমাই গলোঁ আৰু তেওঁ থিয় হ'ল, যেন তেওঁৰ ওপৰৱালা এজনকহে তেওঁ লগ পাইছে। মোৰ কম্পেনী কমাণ্ডাৰজনে ক'লে, 'এওঁ তোমাক লগ পাবলৈ আহিছে ছক'লভ,' আৰু কথাকেইটা কৈ তেওঁ খিৰিকিৰ ওচৰলৈ আঁতৰি গ'ল। ইলেক্‌ট্ৰিক শ্বকৰ দৰে মোৰ মাজেদি কিবা এটা পাৰ হৈ গ'ল। নিমিষতে মই অনুভৱ কৰিছিলোঁ যে কিবা এটা বিপদ আহিছে। লেফ্‌টেনাণ্ট কৰ্নেলজন মোৰ ওচৰলৈ আহিল আৰু ক'লে, 'ধৈৰ্য্য ধৰক, দেউতা। আপোনাৰ পুত্ৰ কেপ্টেইন ছক'লভ আজি তেওঁৰ 'বেটাৰী'তে নিহত হৈছে। মোৰ লগত আহক।'

'মোৰ গাটো থৰক-বৰক হোৱা যেন লাগিছিল, কিন্তু মই থিৰেৰে খোজ দিলোঁ। সেই লেফ্‌টেনাণ্ট-কৰ্নেলজন

আৰু মই সেই ডাঙৰ মটৰ গাড়ীখনত, ইটা-শিলৰ ভগা টুকুৰাৰ দ'মেৰে সিঁচৰতি হৈ থকা আলিবাটেদি যিদৰে গৈছিলোঁ, সেইটো এতিয়া সপোন যেন লাগে। মোৰ এতিয়া ধূঁৱলি-কুঁৱলিকৈ মনত পৰে সৈন্যবোৰ শাৰী পাতি আছিল আৰু কফিনটো ৰঙা মখমল কাপোৰেৰে ঢাকি দিয়া হৈছিল। কিন্তু দোস্ত, আপোনাক মই এতিয়া যিদৰে দেখিবলৈ পাইছোঁ মোৰ আনাতলীক সেই দৰেই দেখা পাইছিলোঁ। মই কফিনটোৰ ওচৰলৈ গলোঁ। এৰা, মোৰ ল'ৰাটো তাত পৰি আছিল, পিছে সিতো তাত নাছিল! মোৰ ল'ৰাটো আছিল এটা সৰু ল'ৰা, সদায় হাঁহি থাকে, তাৰ বুকুখন ঠেক, আৰু ক্ষীণ ডিঙিটোৰপৰা এটা সৰু ঘটিকা ওলাই থাকে, কিন্তু তাত আছিল বহল বুকুৰ, এটা পূৰ্ণবৰ্ধিত ধুনীয়া ডেকা মানুহ। তাৰ চকু দুটা আধা-মুদা হৈ আছিল, যেন সি মোক পাৰ হৈ গৈ কোনোবা অচিনাকি দূৰলৈ চাই ৰৈছিল। কেৱল মাত্ৰ তাৰ ওঁঠৰ কোণত মোৰ ল'ৰাটোৰ মিচিকিয়া হাঁহি অকণমান লাগি আছিল। এসময়ত মই চিনি পোৱা সেই আনাতলীটো। মই তাক এটা চুমা খালোঁ আৰু একাষলৈ আঁতৰি গলোঁ। লেফ্‌টেনাণ্ট-কৰ্ণেলে এটা ভাষণ দিলে। মোৰ আনাতলীৰ বন্ধুকেইজনে চকু-পানী মচিলে, কিন্তু মই কান্দিব নোৱাৰিলোঁ। মোৰ চকু-পানী বোধহয় মোৰ বুকুৰ মাজত শুকাই পৰিছিল। সেই কাৰণেই হয়তো ই মোক এতিয়াও ইমান আঘাত দিয়ে।

'মই মোৰ শেষ আনন্দ আৰু আশা-ভাৰসাকণ সেই বিদেশৰ জাৰ্মান ভূমিত সমাধিস্থ কৰিলোঁ, গোলন্দাজ সৈন্য দলটোৱে সিহঁতৰ অধিনায়কজনক দীঘলীয়া যাত্ৰাত

বিদায় সম্ভাষণ জনাবলৈ একেলগে গুলী বৰ্ষণ কৰিলে, আৰু কিবা এটাই যেন মোৰ বুকুখনত এটা প্ৰচণ্ড কামোৰ দিলে...। মই যেতিয়া মোৰ ইউনিটলৈ উভতি আহিলোঁ তেতিয়া আৰু মই আগৰ মানুহটো হৈ নাথাকিলোঁ। তাৰ অলপ দিনৰ পাছত সৈন্য বাহিনীৰপৰা মোক এৰি দিলে। মই ক'লৈ যাম? ভৰ'নেজলৈ? কোনো কাম নাই! মোৰ মনত পৰিল, মোৰ বন্ধু এজনৰ কথা, শীতকালত শাৰীৰিক অক্ষমতাৰ কাৰণে তেওঁ সৈন্য বাহিনীৰ কাম এৰি গৈছিল আৰু তেওঁ উৰিউপিনস্কত থাকিবলৈ লৈছিল; তেওঁ এবাৰ মোক তেওঁৰ লগত থাকিবলৈ যাবলৈ কৈছিল। সেই কাৰণে মই সেইখিনি ওলালোঁগৈ।

'মোৰ বন্ধুজন আৰু তেওঁৰ পত্নীৰ ল'ৰা-ছোৱালী নাছিল আৰু নগৰৰ দাঁতিতে তেওঁলোকৰ এটা সৰু ঘৰ আছিল। তেওঁ এটা বিকলাঙ্গ পেন্সন পাইছিল, কিন্তু লৰী ডিপো এটাত ড্ৰাইভাৰ হিচাপে কাম কৰিছিল; ময়ো তাতে এটা কাম পালোঁ। মই বন্ধুজনৰ লগতে থাকিবলৈ ললোঁ আৰু তেওঁলোকে মোক এখন ঘৰ দিলে। উপকণ্ঠ অঞ্চলত আমি বিভিন্ন ধৰণৰ বয়বস্তু কঢ়িয়াইছিলোঁ আৰু শৰৎকালত শস্য যোগান ধৰা কামত লাগিছিলোঁ। সেই তেতিয়াই, সৌ বালিত ধেমালি কৰি থকা মোৰ নতুন ল'ৰাটিক লগ পালোঁ।

'দীঘলীয়া 'ট্ৰিপ' এটাৰ পাছত আপুনি যেতিয়া গাড়ীৰপৰা নামিবহি, তেতিয়া আপোনাৰ প্ৰথম কাম হ'ব 'কাফে' এখনলৈ গৈ কিবা এটাত একামোৰ দিয়া আৰু লগতে আপোনাৰ ভাগৰ পলুৱাবলৈ এগিলাচ ভদ্‌কা গলাধঃকৰণ কৰা। মই স্বীকাৰ কৰিব লাগিব যে সেই

সময়ৰ ভিতৰত সেই অনিষ্টকৰ অভ্যাসটো মোৰ বে'ছ প্ৰিয় হৈ উঠিছিল। আৰু এদিন মই এই ল'ৰাটিক কাফেৰ ওচৰত দেখিবলৈ পালোঁ, তাৰ পাছ দিনাও দেখা পালোঁ। ছিৰিলা ছিৰিলি কাপোৰ পিন্ধা কি যে এটা ল'ৰা! তাৰ গোটেই মুখখন তৰমুজৰ ৰস আৰু ধূলিৰে লেপ দিয়া, জগতৰ লেতেৰা, য'তে ত'তে চুলি, কিন্তু নিশা আকাশত, বৰষুণৰ পাছত তিৰবিৰাই উঠা তৰাৰ দৰেই তাৰ এযোৰ চকু আছিল। আৰু তাৰ প্ৰতি মোৰ এনে মৰম সোমাল যে হাঁহি উঠা কথা যেন লাগিলেও, মই তাক নেদেখিলে থাকিব নোৱৰা হলোঁ। মই মোৰ গাড়ী চলোৱা কাম শেষ কৰিবলৈ খৰধৰ লগাওঁ যাতে কাফেলৈ উভতি যাব পাৰোঁ আৰু তাক সোনকালে দেখা পাওঁ। সি তাতেই তাৰ আহাৰ পায় — মানুহে যি দিয়ে তাকে খায়।

'চতুৰ্থ দিনা চৰকাৰী ফাৰ্মৰপৰা শস্য বোজাই কৰি লৰীখন পোনে পোনে আনি কাফেৰ ওচৰত ৰাখিছিলোঁহি, তাতে মোৰ অকমাণিটো ভৰি আছাৰি ছিৰিত বহি আছিল আৰু দেখিয়েই বুজিব পৰা গৈছিল যে তাৰ বৰ ভোক লাগিছিল। মই খিৰিকীয়েদি মূৰটো উলিয়াই তাক চিঞৰি মাতিলোঁ। 'অ'ই, ভানিয়া, আহ, গাড়ীত উঠি ল, মই তোক শইচ ভৰোৱা ঠাইলৈ লৈ যাম আৰু তাৰ পাছত আমি দুইটা ইয়ালৈ ঘূৰি আহি আহাৰ খাম।' মোৰ চিঞৰত সি চক খাই উঠিল; তাৰ পাছত সি ছিৰিৰপৰা নামি পোনে পোনে গাড়ীলৈ উঠা খোপ পালেহি আৰু খিৰিকিৰ ওচৰলৈ মূৰ দাঙি উঠিল। 'মোৰ নাম যে ভানিয়া, তুমি কেনেকৈ জানিলা?' সি শান্তভাৱে ক'লে আৰু তাৰ সেই উজ্জ্বল চকু দুটা বহলকৈ মেলি দি মোৰ

উত্তৰলৈ বাট চালে। মই তাক কলোঁ যে মই এটা সবৰজান।

'সি ঘূৰি সোঁফাললৈ আহিল, মই দুৱাৰখন খুলি দিলোঁ আৰু তাক মোৰ ওচৰতে বহুৱাই ললোঁ। এনেকৈয়ে আমি দুইটা গুচি গলোঁ। কিন্তু কথকী সৰু ল'ৰাটো হঠাৎ চুপচাপ হৈ গ'ল আৰু তাৰ সেই বে'কা দীঘল চেলাউঁৰিযোৰৰ তলেদি মোলৈ মাজে মাজে চাবলৈ ধৰিলে আৰু হুমুনিয়াহ পেলালে। ইমান সৰু ল'ৰা এটা আৰু সি এতিয়াই হুমুনিয়াহ পেলাবলৈ শিকিলে। সি তেনে কৰিব জানো লাগিছিল? খন্তেক ভাবি মই সুধিলো, 'তোৰ দেউতাৰ ক'ত আছে, ভানিয়া?' সি সৰু মাতেৰে ক'লে, 'তেওঁ যুদ্ধত মৰিল।' 'আৰু মাৰ?' 'আমি ৰেলগাড়ীৰে আহি থাকোঁতে এটা বোমা পৰাত তাতে মাও মৰিল।' 'তহ'ত ট্ৰেইনত ক'ৰপৰা আহিছিলি?' 'মই কব নোৱাৰোঁ, মোৰ মনত নাই...' 'পিছে তোৰ আৰু পৰিয়ালৰ কোনো নাই নেকি?' 'নাই, কোনো নাই।' 'কিন্তু ৰাতি তই শোৱ ক'ত?' 'য'তে পাওঁ ত'তে।'

'মোৰ বুকুখনত শোকে খুন্দা মাৰি ধৰিলে আৰু তৎক্ষণাৎ মই সিদ্ধান্ত লৈ পেলালোঁ। আমি অকলে অকলে কষ্ট ভুগি, এইদৰে বেলেগে থাকোঁ কিয়? মই তাক নিজৰ ল'ৰাৰ দৰে ৰাখিম। আৰু লগে লগে মোৰ মনটো পাতল লাগি গ'ল, কিবা এটা প্ৰফুল্লতা আহিল। মই তাৰফালে হাউলি গৈ বৰ শান্তভাৱে সুধিলোঁ, 'মই কোন তই জান জানো, ভানিয়া?' সি ততালিকে উশাহটো সলাই সুধিলে, 'কোন?' আৰু আগতকৈ শান্ত স্বৰেৰে মই তাক ক'লোঁ, 'মই তোৰ দেউতা।'

'হে ভগৱান, তাৰ পাছত যে কি হ'ল! সি মোৰ

ডিঙিত দুই হাতেৰে সাবটি ধৰিলে; মোৰ গালত, ওঁঠত, কপালত চুমা খালে আৰু গান গোৱা চৰাই এটাৰ দৰে কুঁকুৰাবলৈ আৰম্ভ কৰি দিলে, 'মোৰ দেউতা! মই জানিছিলোঁৱেই! মই জানিছিলোঁ তুমি মোক বিচাৰি উলিয়াবা। মই জানিছিলোঁ, যিয়ে কি নহওক তুমি মোক পাবাই। তুমি মোক বিচাৰি উলিওৱালৈ মই ইমান দিন বাট চাই আছিলোঁ!' সি মোৰ গাত তাৰ গাটো লগাই দিছিল আৰু বতাহত লৰি থকা গছৰ পাত এখিলাৰ দৰেই সি কঁপিছিল। মোৰ চকুযোৰ চুলচুলীয়া হৈ পৰিছিল আৰু ময়ো কঁপিছিলোঁ আৰু মোৰ হাতখনো থৰক-বৰক হৈছিল... মই যে গাড়ীৰ ষ্টিয়েৰিং কেনেকৈ ধৰি গৈছিলোঁ ক'বই নোৱাৰোঁ। তথাপিও মই নলাটোতে গাড়ীখন ৰাখিলোঁ আৰু ইঞ্জিনটো বন্ধ কৰি দিলোঁ। চকু-পানীৰে বাট নেদেখা হোৱাত মোৰ ভয় হ'ল জানোচা কাৰবাক খুন্দিয়ায়েই দিওঁ! আমি তাতে পাঁচ মিনিটমান সময় বহি ৰ'লোঁ আৰু মোৰ এধানি পুত্ৰটিয়ে মোৰ গাত তেতিয়াও গবা মাৰি ধৰি থাকিল। সি মুখেৰে একো কোৱা নাছিল, মাত্ৰ কঁপি আছিল। মই সোঁ হাতটোৰে তাক ধৰি আঁকোৱালি ললোঁ আৰু বাওঁ হাতেৰে লৰীখন ঘূৰাই লৈ মই বাস কৰা সৰু ঘৰটিলৈ চলাই নিলোঁ। তাৰ পাছত শইচ ভৰোৱা ঠাইলৈ যোৱাৰ কথা ভাবিবই নোৱৰা হলোঁ।

'মই লৰীখন জপনামুখতে এৰিলোঁ, আৰু নতুন পুত্ৰক কোলাত তুলি ঘৰলৈ লৈ গলোঁ। সি মোৰ ডিঙিত তাৰ সৰু হাত দুখনেৰে খামুচি ধৰি ওলমি দিছিল। সি তাৰ গালখন মোৰ দাড়ি নুখুৰোৱা থুঁতৰিটোত লগাই হেঁচি

ধৰিছিল। আৰু এই অৱস্থাৰেই তাক মই ভিতৰ সুমুৱাই নিছিলোঁ। মোৰ বন্ধু আৰু তেওঁৰ পৰিবাৰ দুয়ো ঘৰতে আছিল। মই ভিতৰ সোমাই দুৱোটা চকুৰে তেওঁলোকলৈ চাই টিপ মাৰি নিৰ্ভীক আৰু প্ৰফুল্ল মনেৰে ক'লোঁ, 'হেৰি, শেষত মোৰ ভানিয়াক পাই গলোঁ, এয়া আমালৈ চাওক!' তেওঁলোকৰো নিজৰ ল'ৰা-ছোৱালী নাছিল, তেওঁলোকে সদায় সৰু ল'ৰা বা ছোৱালী এটি বিচাৰি আছিল, সেই কাৰণে ঘটনাটো কেনেকুৱা তেওঁলোকে অনুমান কৰিলে আৰু হৈ-চৈ লগাই দিলে। আৰু মই মোৰ ল'ৰাটিৰ ওচৰৰপৰা লৰ-চৰ কৰিব নোৱৰা হলোঁ। পিছে যি হওক, মই কোনোমতে তাক বুজাই-বৰাই সৈমান কৰালোঁ। তাৰ হাত দুখন চাবোনেৰে ধুৱাই মই তাক টেবুলত বহুৱাই দিলোঁ। মোৰ বন্ধুৰ পত্নীয়ে হেঁতাৰে এক প্লেট চুৰুহা ঢালি দিলে। সি সেইখিনি নিমিষতে ঢক্‌ঢক্ কৰে খাই শেষ কৰা দেখি তেওঁৰ চকু-পানী ওলাই আহিল। তেওঁ চৌকাৰ ওচৰত বৈ 'এপ্ৰন'টোত মুখ গুঁজি কান্দিবলৈ ধৰিলে। আৰু মোৰ ভানিয়াই তেওঁৰ কান্দোন দেখিবলৈ পালে। সি তেওঁৰ ওচৰলৈ দৌৰি গৈ স্কাৰ্টটোত টানি ধৰি ক'লে, 'তুমি কিয় কান্দিছা, মাহী? দেউতাই মোক কাফেৰ ওচৰতে পালে। সকলোৰে আনন্দ কৰিব লাগে আৰু তুমি কান্দিছা।' কিন্তু তেওঁ আৰু বেছিকৈহে কান্দিলে, গোটেইখন চকুলোৰে তিয়াই পেলালে।

'দুপৰীয়াৰ ভোজনৰ পাছত তাক মই নাপিতৰ ওচৰলৈ লৈ গ'লোঁ আৰু তাৰ চুলিখিনি কটাই দিলোঁ। ঘৰত মই নিজেই 'টাব' এটাত তাক গা ধুৱালোঁ আৰু পৰিষ্কাৰ কাপোৰ এখন গাত মেৰিয়াই দিলোঁ। সি মোক সাবটি

ধৰি মোৰ বাহুৰ মাজত শুই পৰিল। মই লাহেকৈ তাক বিছনাত শুৱাই থলোঁ আৰু লৰীখন শস্য ভাণ্ডাৰলৈ লৈ গলোঁ। তাত শস্যৰ বোজা নমাই দি লৰীখন আকৌ পাৰ্কলৈ লৈ আহিলোঁ আৰু দোকানলৈ দৌৰ দিলোঁ। মই তাৰ কাৰণে 'ছাৰ্জ' কাপোৰৰ পেণ্ট এটা, এটা সৰু কামিজ, এযোৰ ছেণ্ডেল আৰু এটা কুঁহিলাৰ টুপী কিনিলোঁ। অৱশ্যে এই গোটেইবোৰেই গাত নোখোৱা হ'ল, গুণৰ ফালৰপৰাও ভাল নাছিল। মোৰ বন্ধুৰ পৰিবাৰেতো মোক লাজেই দিলে। তেওঁ ক'লে, 'আপোনাৰ কিবা মূৰৰ বিকৃতি ঘটিছে নেকি? এই হেন গৰমত ল'ৰাটোক 'চাৰ্জ' কাপোৰৰ ট্ৰাউজাৰ পিন্ধাবলৈ আহিছে?' আৰু পিছ মুহূৰ্ততে তেওঁ চিলাই কলটো টেবুলত উলিয়াই ল'লে আৰু এঘণ্টাৰ ভিতৰতে মোৰ ভানিয়াৰ কাৰণে কপাহী লংপেণ্ট এটা আৰু সৰু বগা কামিজ এটা তেওঁ তৈয়াৰ কৰি পেলালে। মই তাক মোৰ লগত বিছনাত শুৱাই ললোঁ আৰু বহুত দিনৰ পাছত সেই প্ৰথম ৰাতি মই শান্তিৰে টোপনি গলোঁ। তথাপিও নিশা মই চাৰিবাৰমান সাৰ পাইছিলোঁ। আৰু সি পানী-পাছৰ তলত থকা ঘন-চিৰিকা চৰাই এটাৰ দৰেই মোৰ কিলাকুটিৰ ভাঁজটোত আৰামেৰে শুই আছিল; সি মৃদুভাৱে উশাহ লৈছিল আৰু মই যে কিমান আনন্দ পাইছিলোঁ তাক আপোনাৰ আগত ভাষাৰে প্ৰকাশ কৰিব নোৱাৰোঁ। তাক দিগদাৰি দিয়া হ'ব বুলি ভাবি মই লৰচৰ নকৰাকৈ থাকিবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু সেই চেষ্টা সফল নহ'ল। মই হাতত সাৰে ভৰিত সাৰে উঠি, জুইশলা কাঠি এটা জ্বলাই থিয় হৈ তাক চাই মুগ্ধ হৈছিলোঁ...।

'ৰাতি পুৱাৰ আগতে মই সাৰ পাইছিলোঁ, ডিঙিটো কিয় ইমান গধুৰ গধুৰ লাগিছিল একো ধৰিব পৰা নাছিলোঁ। পিছে সেয়া মোৰ সৰু ল'ৰাটি; সি তাৰ কাপোৰখনৰ তলৰপৰা ওলাই তাৰ অকমানি ভৰিটো মোৰ ডিঙিত থৈ বুকুৰ ওপৰত শুই আছে। শোৱাত সি এটা বিৰল উৎপতীয়া ল'ৰা, কিন্তু মই তাৰ লগত অভ্যস্ত হৈ গৈছিলোঁ। সি নাথাকিলে মোৰ বেয়াহে লাগিছিল। ৰাতি সি শুই থাকোঁতে আপুনি তালৈ চাব পাৰিব নাইবা তাৰ কেঁকোৰা চুলিখিনিৰ গোন্ধ লব পাৰিব, আৰু অন্তৰত কিবা দুখ পালেও নোহোৱা হৈ যাব আৰু সেই দুখ-কষ্ট লঘু হৈ পৰিব। বুইছে, মোৰ বুকুখনত, শিলৰ টুকুৰা এটাৰ দৰে বেজাৰবোৰ খুন্দ খাই আছে...।

'প্ৰথমতে সিও মোৰ ল'ৰীখনতে সদায় গৈছিল, পিছত মই বুজি পালোঁ যে এই কথাই কথা নহয়। মই অকলে থাকিলে মোকনো লাগিছে কিটো? এডোখৰ ৰুটী আৰু অকণমান নিমখৰে সৈতে পিঁয়াজ এটুকুৰা হ'লেই সৈনিক এজনৰ দিনটো চলি যায়। কিন্তু তাৰে সৈতে থকাত কথা বেলেগ হ'ল। এতিয়া তাৰ কাৰণে অলপ গাখীৰ যোগাৰ কৰিব লগা হ'ল, কণী এটা সিজাই দিব লগা হ'ল আৰু খাবলৈ গৰম কিবা অলপ নহলেতো নচলে। কিন্তু মোৰ কৰিব লগা কাম আছে। সেই কাৰণে মই মন বান্ধিলোঁ আৰু মোৰ বন্ধুৰ পত্নীৰ হাততে তাক গতাই দিলোঁ। পিছে, সি গোটেই দিনটো কান্দি-কাটি থাকে, গধূলি হ'লেই মোক লগ ধৰিবলৈ শস্য তোলা ঠাইলৈ লৰ ধৰে আৰু তাত মাজ-নিশালৈকে ৰৈ থাকে।

'তাক লৈ প্ৰথমতে মোৰ কষ্টই হৈছিল। গোটেই

দিনটোৰ কঠোৰ পৰিশ্ৰমৰ পাছত এদিন গধূলি আমি বিছনাত পৰিছিলোঁ, বাহিৰত তেতিয়াও পোহৰ আছিল। সি সদায় ঘন-চিৰিকা চৰাইটোৰ দৰে চিঁচিঁয়াই কথা-বতৰা কৈ থাকে, কিন্তু সেই দিনা সি বৰ শান্ত হৈ আছিল।

''তই কি ভাবি আছ, সোণটো?' মই সুধিছিলোঁ। সি ওপৰৰ চিলিংখনলৈ চাই থাকি মোক কৈছিল, 'তোমাৰ চামৰাৰ কোট চোলাটো কি কৰিলা, দেউতা?' আৰু ইফালে মোৰ যে জনমত চামৰাৰ কোটেই নাছিল! মই কথাৰ গতিটো সলাই দিলোঁ। 'ভৰ'নেজতে এৰি থৈ আহিলোঁ,' মই তাক ক'লোঁ। 'আৰু তুমি মোক ইমান দিন কিয় বিচাৰি ফুৰিছিলা?' মই ক'লোঁ, 'সোণটো, মই তোক জাৰ্মানি, পোলেণ্ড আৰু বিয়েলোৰুছিয়াৰ গোটেইখনতে বিচাৰি ফুৰিলোঁ, কিন্তু তই আছিলিহি উৰিউপিনস্কত।' 'উৰিউপিনস্ক জাৰ্মানিতকৈ ওচৰ নেকি? আমাৰ ঘৰৰপৰা পোলেণ্ডলৈ বহুত দূৰ নেকি?' আৰু এইদৰে আমি টোপনি নহালৈকে কথা পাতি গলোঁ।

'কিন্তু দোস্ত, সি যে সেই চামৰাৰ কোটটোৰ কথা সুধিছিল, তাৰ একো কাৰণ নাই বুলি আপুনি ভাবে নে? নহয়, তাৰ এটা কাৰণ আছিল, ঠিকেই। ইয়াৰ মানে, তাৰ আচল দেউতাকে কোনোবা এটা সময়ত তেনেকুৱা এটা কোট পিন্ধিছিল আৰু সেইটোৱেই তাৰ মনত পৰিছিল। সৰু ল'ৰাছোৱালীৰ স্মৰণ শক্তি বাৰিষাৰ বিজুলীৰ দৰে, জানে; ই হঠাৎ চিক্‌মিকাই উঠি বস্তুবোৰ পোহৰাই তোলে, তাৰ পাছত নোহোৱা হৈ যায়। আৰু তাৰ স্মৃতি শক্তিয়েও সেইদৰেই কাম কৰিছিল, বিজুলীৰ দৰে চমকি উঠিছিল।

'হয়তো, উৰিউপিনস্কত আমি একেলগে আৰু এটা

বছৰ কটাই দিলোঁহেঁতেন, কিন্তু নৱেম্বৰত মোৰ এটা দুৰ্ঘটনা হ'ল। বোকা ৰাস্তা এটাইদি গাওঁ এখনৰ মাজেৰে মই গাড়ী চলাই আহিছিলোঁ আৰু এঠাইত ৰাস্তাৰ একাষলৈ পিছলি গলোঁ। তাতে ৰৈ আছিল গাই গৰু এজনী আৰু গাড়ীখনে তাইৰ গাত খুন্দা মাৰি দিলে। তাৰ পাছত ঘটনাটো কেনে হ'ব পাৰে আপুনি বুজিবই পাৰিছে। তিৰোতামখাই হুলস্থুল লগাই দিলে, চাৰিওফালৰপৰা মানুহ আহি জুম বান্ধিলেহি। আৰু লগে লগে ট্ৰেফিক ইন্সপেক্টৰ এজন আহি উপস্থিত। মই কথাটো একো নহয় বুলি বুজাব খুজিলোঁ, কিন্তু তেওঁ মোৰ লাইচেঞ্চখন লৈ গুচি গ'ল। গৰুজনী থিয় হ'ল আৰু নেজডাল ওপৰলৈ দাঙি লৈ ৰাস্তাইদি সিফালে চেঁকুৰ দিলে, কিন্তু মই লাইচেঞ্চখন হেৰুৱালোঁ। জাৰকালিটো মই কাঠমিস্ত্ৰী হিচাপে কাম কৰি চলাই দিলোঁ। তেতিয়াই সৈন্য বাহিনীৰ মোৰ পুৰণি বন্ধু এজনৰ লগত যোগাযোগ হ'ল — তেওঁ আমাৰ জিলাতে ড্ৰাইভাৰ কাম কৰে — আৰু তেওঁ মোক তেওঁৰ লগত থাকিবলৈ মাতিলে। তেওঁ জনালে যে এবছৰ কাঠ-মিস্ত্ৰী কৰাৰ পাছত মই তেওঁলোকৰ অঞ্চলত এখন নতুন লাইচেঞ্চ লব পাৰিম। সেই কাৰণে এতিয়া ল'ৰাটিৰে সৈতে মই কাছাৰিলৈ যাবলৈ আহিছোঁ।

'কিন্তু সেই গৰুজনীৰ দুৰ্ঘটনাটো নোহোৱা হলেও মই উৰিউপিনস্ক এৰিবই লাগিলহেঁতেন। মোৰ মনৰ বেজাৰে মোক একে ঠাইতে বেছি দিন থাকিবলৈ নিদিয়ে। এতিয়া মোৰ ভানিয়া ডাঙৰ হৈ আহিছে, তাক স্কুলত দিবৰ হৈছে, সেই কাৰণে মই হয়তো বশ্যতা স্বীকাৰ

কৰিব লাগিব আৰু এঠাইত থিতাপি লব লাগিব। কিন্তু সদ্যহতে আমি দুয়োটাই একেলগে বুছ ভূমিত পদব্ৰজে ভ্ৰমণ কৰিছোঁ।

'তাৰ ভাগৰ নালাগে নে?' মই সুধিছিলোঁ।

'সিতো নিজে বেছি খোজ নাকাঢ়ে, বেছিভাগ সময় মোৰ কান্ধত উঠিয়েই যায়। মই তাক কান্ধৰ ওপৰত তুলি লৈ ফুৰাওঁ, আৰু কেতিয়াবা যদি তাৰ ভৰি পোনাবৰ মন যায়, তেন্তে সি জাপ মাৰি তললৈ নামি যায় আৰু সৰু ছাগলী পোৱালি এটাৰ দৰে জঁপিয়াই ৰাস্তাৰ কাষেদি দৌৰ মাৰে। এইবোৰ একো কথা নহয়, দোস্ত, আমি এইদৰে চলি যাম, কিন্তু একমাত্ৰ কথাটো হ'ল মোৰ কলিজাৰ ক'ৰবাত এটা আঘাত লাগিছে, তাৰ 'পিষ্টন' এটা বদলাব লগা হৈছে। কেতিয়াবা ই মোক এনেদৰে হানে যে মই কি কৰিছোঁ কব নোৱৰা হৈ যাওঁ। মোৰ ভয় হয় কোনোবা এদিন হয়তো মই টোপনিতে মৰি থাকিম আৰু মোৰ সৰু ল'ৰাটোৱে ভয় খাব। তাৰ উপৰিও আন এটা আহুকাল হৈছে। প্ৰায় সদায় নিশা মই মোৰ হেৰোৱা আপোনকেইটিক সপোনত দেখোঁ। মই যেন কাঁইটীয়া তাঁৰৰ বেৰা এখনৰ ইপাৰে আছোঁ আৰু সিহঁত সিটো পাৰে মুক্ত হৈ আছে। মই ইৰিনা আৰু ল'ৰা-ছোৱালী-কেইটাক আটাইবোৰ কথা কওঁ, কিন্তু যেতিয়াই মই তাঁৰৰ বেৰাখন ফাঁক কৰি ধৰোঁ, তেতিয়াই সিহঁত আঁতৰি যায়, যেন মোৰ চকুৰ আগতে শূন্যত মিলি যায়। আৰু এটা হাঁহি উঠা কথা। দিনৰভাগত মই সদায় নিজক কঠোৰভাৱে সংযত কৰি ৰাখোঁ, আপুনি মোক উচুপি কন্দা বা হুমুনিয়াহ কঢ়া কেতিয়াও দেখিবলৈ নাপায়। কিন্তু

কেতিয়াবা মই ৰাতি সাৰ পাই যাওঁ আৰু মোৰ গাৰুটো চকু-পানীৰে তিতি থাকে...'

নদীৰপৰা মোৰ বন্ধুজনৰ মাত আৰু পানীত ব'ঠাৰ চপ্ চপ্ শব্দ ভাহি আহিল।

ইতিমধ্যে মোৰ এজন ঘনিষ্ঠ বন্ধুৰ দৰে হৈ পৰা এই অচিনাকি মানুহজনে তেওঁৰ শকত হাতখন আগ বঢ়াই দিলে। তেওঁৰ হাতখন আছিল এডোখৰ কাঠৰ দৰেই টান।

'বিদায় দোস্ত, শুভেচ্ছা জনাইছোঁ!'

'শুভেচ্ছা, কাছাৰিলৈ যাত্ৰা শুভ হওক!'

'ধন্যবাদ! অ' মইনাটো, আহ আমি নাৱত উঠোঁগৈ।'

ল'ৰাটো তাৰ দেউতাকৰ ওচৰলৈ দৌৰি আহিল, তেওঁৰ কপাহৰ জোলা ভৰোৱা জেকেটটোৰ চুক এটাত ধৰিলে আৰু দীঘল দীঘল খোজ দিয়া দেউতাকৰ লগত সৰু সৰু খোজ পেলাই যাবলৈ ধৰিলে।

যুদ্ধৰ প্ৰচণ্ড ঘূৰ্ণী বতাহে দুটি অনাথক, দুটি ধূলি কণাক অচিনাকি ঠাইলৈ উৰুৱাই লৈ আহিল... ভৱিষ্যতে সিহঁতৰ কপালত কি আছে? মই বিশ্বাস কৰিবলৈ লৈছিলোঁ যে এই ৰুছ লোকজনে, এই অদম্য ইচ্ছাশক্তিৰ মানুহজনে সকলোবোৰ অতিক্ৰম কৰিব আৰু সৰু ল'ৰাটি তাৰ দেউতাকৰ ওচৰতে মানুহ হৈ উঠিব, সিও দেশৰ আহ্বান অনুসৰি যিকোনো পৰিস্থিতি সহ্য কৰিব, যিকোনো বাধা-বিঘিনি অতিক্ৰম কৰিব পাৰিব।

তেওঁলোক যোৱালৈ চাই চাই মই বেদনা অনুভৱ কৰিছিলোঁ। ভাবিয়া নথকা হলে সম্ভৱতঃ আমি বিদায় লোৱাৰ লগে লগে সকলো ঠিকেই হৈ গ'লহেঁতেন। কেইখোজমান যোৱাৰ পাছতে সি তাৰ থোলোকা চুটি ভৰি

দুটা পাক মাৰি মোলৈ চাই তাৰ সৰু গুলপীয়া হাত দুটি জোকাৰিলে। আৰু হঠাতে যেন মোৰ অন্তৰখন কোমল আৰু নখ লগা হাতোৰা এখনে খামুচি ধৰিলে! আৰু লৰালৰিকৈ মই আঁতৰি পৰিলোঁ। নহয়, যুদ্ধৰ সময়ত চুলি বগা পৰা এই বয়সীয়া লোকসকলে টোপনিতহে যে কান্দে তেনে নহয়। তেওঁলোকে সাৰ পাই থাকোঁতেও কান্দে। যথা সময়ত আঁতৰি পৰিব পৰাটোৰেই হৈছে আচল কথা। শিশু এটিৰ মনত আঘাত নিদিয়াটো, মানুহ এজনৰ গালত চকু-পানীৰ শুকান দাগ তাক চাবলৈ নিদিয়াটোৰেই হৈছে প্ৰকৃততে গুৰুত্বপূৰ্ণ কথা।

১৯৫৬ চন

পাঠকসকলৰ প্ৰতি

গ্ৰন্থখনিৰ বিষয়বস্তু, অনুবাদ আৰু অঙ্গসজ্জাৰ বিষয়ে আপোনালোকৰ মতামত পালে আমি সুখী হ'ম।

আশা কৰোঁ আপোনালোকৰ মাতৃভাষাত অনুদিত ৰুছ আৰু ছোভিয়েত সাহিত্যই আমাৰ দেশৰ জনসাধাৰণৰ সংস্কৃতি আৰু জীৱনযাত্ৰা সম্বন্ধে আপোনাসকলৰ জ্ঞান-বৃদ্ধিত সহায় কৰিব।

আমাৰ ঠিকনা :
'ৰাদুগা' প্ৰকাশন
১৭, জুবোভ্স্কি বুলভাৰ
১১৯৮৫৯, মস্কো, ছোভিয়েত ইউনিয়ন

'Raduga' Publishers
17, Zubovsky Boulevard
119859, Moscow Soviet Union

১৯৯০ চনত 'ৰাদুগা' প্ৰকাশনৰপৰা ছপা হৈ ওলাব আলেক্সান্দৰ পুস্কিন। প্ৰতিশোধ

মহান ৰুছ কবি আলেক্সান্দৰ পুস্কিন (১৭৯৯—১৮৩৭) গদ্য সাহিত্যৰো এজন সুদক্ষ ৰূপকাৰ আছিল। তেওঁ সৃষ্টি কৰিছিল 'বেলকিনৰ কাহিনী', 'ইস্কাপনৰ ৰাণী', 'কেপ্টেইনৰ জীয়াৰী' প্ৰভৃতিৰ দৰে বিখ্যাত ৰচনাসমূহ। পুস্কিনৰ গদ্য সাহিত্যৰ মাজত 'প্ৰতিশোধ' গল্পটিৰ আছে এক বিশিষ্ট স্থান। মহান সাহিত্যিকজনাৰ শোকাবহ মৃত্যুৰ পাছত ১৮৪১ চনতহে এই গল্পটি প্ৰকাশিত হৈছিল।

এই উপন্যাসিকাখনিৰ মূল চৰিত্ৰ হৈছে এজন সম্ভ্ৰান্ত ডেকা ভ্লাদিমিৰ দুব্ৰভস্কি; তেওঁ হিংসা-দ্বেষ আৰু অন্যায়ৰ বিৰুদ্ধে থিয় দিয়ে। জমিদাৰজনৰ জীৱন-ধাৰাৰ আৰু সেই কালছোৱাৰ নৈতিক আচাৰ-ব্যৱহাৰৰ পটভূমিত তেওঁৰ আশ্চৰ্য্যজনক সাহসিক কাৰ্য্য, তেওঁৰ অপৰাধীজনৰ জীয়াৰী মাশ্বা ত্ৰয়েকুৰোভাৰ প্ৰতি তেওঁৰ উদাৰ মনৰ গভীৰ ভালপোৱা ইয়াত তুলি ধৰা হৈছে।

১৯৯০ চনত 'ৰাদুগা' প্ৰকাশনৰপৰা ছপা হৈ ওলাব চিংগিজ আইৎমাতভ। জামিলা

চিংগিজ আইৎমাতভ বহু-জাতিৰ ছোভিয়েত কথা-সাহিত্যৰ অন্যতম অতি উল্লেখযোগ্য আৰু প্ৰতিভাশালী লিখক। তেওঁ ছোভিয়েত ইউনিয়নৰ লেনিন বঁটা আৰু ৰাষ্ট্ৰীয় বঁটা-বিজয়ী। এওঁৰ বহুতো ৰচনা ছোভিয়েত আৰু বিদেশী পাঠক সমাজত ব্যাপকভাৱে পৰিচিত।

...চিংগিজ আইৎমাতভৰ 'জামিলা' নামৰ প্ৰথম উপন্যাসখনি ত্ৰিছ বছৰৰ আগেয়ে প্ৰকাশিত হয়। তথাপি তেতিয়াৰপৰা এই ৰচনাৰ প্ৰতি পাঠক সমাজৰ আগ্ৰহ অলপো কমা নাই। নিজৰ সুখৰ অধিকাৰ ৰক্ষাৰ কাৰণে নাৰীৰ সংগ্ৰামৰ এই কাব্যময় কাহিনী পৃথিৱীৰ বহু দেশত পৰিচিত। ফৰাচী লিখক লুই আৰাগ'ই 'জামিলা'ক 'পৃথিৱীৰ সবাতোকৈ সুন্দৰ অন্যতম প্ৰেমৰ কাহিনী' বুলি অভিহিত কৰে।

Перевод сделан по изданию
М. Шолохов. Собр. соч. в 8-ми т.т.,
изд.-во «Правда», 1975 г.

ИБ № 5838

Перевод *Камал Гогой*
Редактор русского текста *Н. Кочарова*
Контрольный редактор *В. Объедков*
Художник *Б. Алимов, П. Никипорец*
Художественный редактор *Е. Поликашин*
Технический редактор *Е. Ростовцева*
Корректор *Т. Хандин*

Сдано в набор 09.08.89. Подписано в печать 27.03.90. Формат 70×90 1/32. Бумага типографская. Гарнитура «Ассами». Печать высокая. Условн.печ.л. 2,93. Усл.кр.отт. 3,07. Уч.-изд.л. 3,7. Тираж 5280 экз. Заказ № 1784. Цена 45 к. Изд. № 6851. Издательство «Радуга» В/О «Совэкспорткнига» Государственного комитета СССР по печати. 119859, Москва, ГСП-3 119021, Зубовский бульвар, 17. Фирма-пертнер: «Прогрессив Бук Хаус», г. Гаохати, «Восток», гг. Калькутта, Гаохати, Индия. Ордена Трудового Красного Знамени Московская типография № 7 «Искра революции» В/О «Совэкспорткнига» Государственного комитета СССР по печати. 121019, Москва, пер. Аксакова, 13.

45 коп.

মিখাইল ছ'ল'খভ

মিখাইল ছ'ল'খভ আমাৰ এই শতিকাৰ অন্যতম বিখ্যাত ঔপন্যাসিক। তেওঁৰ চাৰি খণ্ডৰ 'ধীৰে বৈ যায় দন', 'অহল্যা ভূমি', 'মাতৃভূমিৰ হকে তেওঁলোকৰ যুঁজ' নামৰ উপন্যাসকেইখন বৃহত্তম সাহিত্য-কীৰ্তি। এই কথা-সাহিত্যিকজনক 'লেনিন বঁটা'ৰে সন্মান জনোৱা হৈছিল।

ছ'ল'খভ 'এজন মানুহৰ ভাগ্য' নামৰ এই উপন্যাসিকা হৈছে ফেছিবাদৰ বিৰুদ্ধে ছোভিয়েত জনসাধাৰণত মহান দেশপ্ৰেমিক যুদ্ধৰ বিষয়ে। গল্পৰ প্ৰধান চৰিত্ৰ হ'ল ৰুছ সৈনিক আন্দ্ৰেই ছক'লভ। তেওঁ যুদ্ধৰ বছৰবোৰত ফেছিষ্ট কাৰাগাৰত দুৰ্বিষহ বন্দী-জীৱন কটায়, অশেষ নিৰ্য্যাতন ভোগ কৰে আৰু শেষ পৰ্য্যন্ত অজেয় হৈ ৰয়।

এই কাহিনীৰ শোকাবহ ঘটনা, মানুহৰ আত্মিক শক্তিত ইয়াৰ বিশ্বাস প্ৰকৃততেই ছোভিয়েত সাহিত্যত অতুলনীয়।

১৯৬৫ চনত মিখাইল ছ'ল'খভ নবেল পুৰস্কাৰ লাভৰ বিশ্ব-খ্যাতি অৰ্জন কৰে।